সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ২৬ সংখ্যা,১৪ আহাৰ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 26 Date of Publication- 29 June 2025 Rs. 10.00/-

## অসমৰ যুৱ কংগ্ৰেছৰ ফেচবুক একাউণ্ট ছৌদি আৰবৰ পৰা চলেঃমুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰৰ নিৰাপত্তাত জড়িত হৈ থকা বিষয়টোৰ পৰিৱৰ্তে গৰুখুঁটি প্ৰকল্পৰ গীৰ গাই ক্ৰয় বিষয়টোৰে চৰ্চা লাভ কৰাটো চিন্তনীয় কথা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এক বিস্ফোৰক তথ্য দাঙি ধৰে। অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ ফেচবুক একাউণ্ট ছৌদি আৰবৰ পৰা চলি আছে বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই বিষয়টো ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবে চিন্তনীয় বিষয়। সংবাদ মাধ্যমক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বিষয়টো য'ত জড়িত হৈ আছে সেই বিষয়ে চৰ্চা হ'ব লাগে। ইতিমধ্যে দুই হাজাৰৰো অধিক বাংলাদেশী একাউন্ট অসমত চলি থকা বিষয়টো সন্দৰ্ভত সাংবাদিকে কিয় প্ৰশ্ন নকৰে বুলিও মুখ্যমন্ত্ৰীয়ে আক্ষেপ কৰে। তেওঁ কয়- পাকিস্তানৰ পৰা যে অসমৰ ফেচবুক একাউণ্ট চলি আছে সেই বিষয়েও আপোনালোকে প্ৰশ্ন কৰিব লাগে। কিন্তু এই বিষয়বোৰত আপোনালোকৰ গুৰুত্ব নাই। গৰুখুঁটি প্ৰকল্পৰ ৩৪টা গৰুৰ ওপৰত চৰ্চা চলিছে, কিন্তু ধুবুৰীত যে ১, ৪৫০টা গৰু কুৰবানি হ'ল তাৰ বিষয়ে আলোচনা হোৱা নাই। এই গীৰ গাইসমূহ ক্ৰয় কৰি অনা গৰু আছিল। কিন্তু কুৰবানিৰ বাবে অনা গৰুসমূহ আছিল চুৰি কৰা গৰু। গৰুৰ মাংস যে নামঘৰ, মন্দিৰৰ সন্মুখত পেলাইছে এই বিষয়ে আলোচনা কিয় কৰা হোৱা নাই? ইফালে হেমকোষক লৈ সৃষ্টি হোৱা বিতৰ্ক প্ৰসংগতো মুখ্যমন্ত্ৰীয়ে কয়- হেমকোষৰ কপিৰাইট কাৰো হাতত নাই। সেয়েহে প্ৰকাশন পৰিষদে হেমকোষ এতিয়া প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলাইছে। হেমকোষ অভিধানখন এতিয়া জাতীয় সম্পদ। এই হেমকোষখন যিদৰে জয়ন্ত বৰুৱাই প্ৰচাৰ কৰিছে, ঠিক তেনেদৰে আনেও এইখন প্ৰচাৰ কৰিব পাৰিব। যেনেকৈ কীৰ্তন ঘোষাৰ কপিৰাইট নাই, নামঘোষাৰ কপিৰাইট নাই, তেনেদৰে এটা সময় পাৰ হৈ যোৱাৰ পাছত এই গ্ৰন্থসমূহৰ কপিৰাইট নাথাকে। ই আইনৰ (দহ পৃষ্ঠাত চাওক)

## ১ জুলাইৰ পৰা আৰম্ভ হ'ব স্নাতক শিক্ষকৰ বাছনি প্ৰক্ৰিয়া



ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষা বিভাগে ১২ সহস্ৰাধিক শিক্ষক পদত নিযুক্তি দিব । এই অনুসৰি পহিলা জুলাইৰ পৰাই মাধ্যমিক পৰ্যায়ত খালী হৈ থকা ৭, ৫৮৮টা শিক্ষক পদ পূৰণৰ বাবে আৰম্ভ হ'ব প্ৰক্ৰিয়া। মুখ্যতঃ ডিব্ৰুগড়, যোৰহাট, কাছাৰ, নগাঁও, কামৰূপ মহানগৰ আৰু বঙাইগাঁও জিলাৰ নিযুক্তি হ'ব লগা এই স্নাতক শিক্ষকৰ পদসমূহ পূৰণৰ লক্ষ্যৰে ৬টা মণ্ডলত প্ৰাৰ্থীৰ নথি-পত্ৰ পৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। উল্লেখ্য যে স্নাতক শিক্ষক পদ পূৰণৰ বাবে প্ৰাৰ্থীয়ে টেট আৰু বাছনি প্ৰক্ৰিয়া পৰীক্ষা উত্তীৰ্ণ হ'ব লাগিব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'ব লগা এই বাছনি প্ৰক্ৰিয়া সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে স্নাতক (দহ পৃষ্ঠাত চাওক)

## মাধ্যমিক শিক্ষা সঞ্চালকৰ বিদ্যালয়সমূহলৈ এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে সকলো জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ এক গুৰুত্বপূৰ্ণ নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশনাৱলী ২০২৫-২৬ শৈক্ষিক বৰ্ষত প্ৰতিখন বিদ্যালয়ে কঠোৰভাৱে মানি চলিব লাগিব। নিৰ্দেশনা অনুসৰি সকলো শিক্ষকে ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হোৱাটো এতিয়াৰে পৰা হ'ব বাধ্যতামূলক। সেইদৰে শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰি দিয়া সময়তহে বিদ্যালয় এৰিব পাৰিব। লগতে বিদ্যালয়লৈ অহা-যোৱাৰ সঠিক তথ্য 'শিক্ষা সেতু' এপত উপলব্ধ হ'ব লাগিব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি -লিপিবদ্ধ কৰাৰ ক্ষেত্ৰত শ্ৰেণী শিক্ষকজন ব্যক্তিগতভাৱে দায়বদ্ধ হ'ব লাগিব বুলিও স্পষ্ট কৰি দিয়া হৈছে। স্নাতকোত্তৰ শিক্ষকসকলে বাধ্যতামূলকভাৱে হাইস্কুল শাখা অৰ্থাৎ নৱম-দশম শ্ৰেণীত পাঠদান কৰিব লাগিব। বিদ্যালয়ত নিয়োজিত অ-শৈক্ষিক কৰ্মচাৰীসকলৰো অহা-যোৱাৰ সময় নিৰ্ধাৰণ কৰি দিয়া হৈছে। এই সন্দৰ্ভত নিৰ্দেশনাটোত উল্লেখ কৰা মতে, সকলো অ- (দহ পৃষ্ঠাত চাওক)

## ত্ৰিকোণ প্ৰেমৰ বাবে গণেশগুৰিত যুৱতীক ছুৰিকাঘাত



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ গুৱাহাটী মহানগৰীত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। ত্ৰিকোণীয় প্ৰেমৰ ভয়ংকৰ পৰিণতি। গণেশগুৰিত এগৰাকী যুৱতীক ছুৰিকাঘাত কৰি পথৰ কাষত পেলাই থৈ যায়। শনিবাৰে পুৱা প্ৰায় ৪.৩০ বজাত প্ৰাতঃভ্ৰমণলৈ অহা লোকে গণেশগুৰিৰ পাঞ্জাবী গলিৰ হলছেল মাৰ্কেটৰ পদপথত তেজেৰে লুতুৰি-পুতুৰি হৈ থকা অৱস্থাত এগৰাকী যুৱতীক প্ৰত্যক্ষ কৰে। ঘটনা সন্দৰ্ভত প্ৰত্যক্ষদৰ্শীয়ে দিছপুৰ আৰক্ষীক অৱগত কৰে। ঘটনাস্থলীত দিছপুৰ আৰক্ষী উপস্থিত (দহ পৃষ্ঠাত চাওক)

## বোকাখাতৰ গ্ৰেনেড বিস্ফোৰণ মূল অভিযুক্তক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বোকাখাত আৰক্ষীয়ে যোৱা ২৪ জুনত বোকাখাতৰ সাপজুৰিৰ পাণবাৰী নিগমৰ অসম বেটেলিয়নৰ জোৱান থকা এটা কেম্পত হোৱা গ্ৰেনেড বিস্ফোৰণৰ মূল অভিযুক্ত অংকুৰ দাসক গ্ৰেপ্তাৰ কৰে। প্ৰাপ্ত খবৰ অনুসৰি, বোকাখাত আৰক্ষীয়ে দেৰগাঁৰৰ পৰা আটক কৰিছে অংকুৰ দাসক। গ্ৰেনেড বিস্ফোৰণৰ ঘটনাৰ লগত জড়িত থকাৰ সন্দেহত ৬জন লোকক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। লোকেকেইজন ক্ৰমে বোকাখাতৰ ৰূপজ্যোতি দাস, অংকুৰ দাস, তেজপুৰৰ পৰা (দহ পৃষ্ঠাত চাওক)

# অৱশেষত মাৰ্কিন বিশেষজ্ঞৰ প্ৰচেষ্টাত বন্ধ হ'ল ভটীয়াপাৰৰ গেছ নিৰ্গমন



ৰঙিলী বাৰ্ত্তাসেৱা- শিৱসাগৰ জিলাৰ ভটীয়াপাৰ বাৰীচুকৰ ১৬ দিনীয়া শ্বাসৰুদ্ধ গেছ নিৰ্গত ঘটনাৰ অৱসান ঘটে। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কাৰ্ডৱেল প্ৰেচাৰ কণ্ট্ৰ'ল প্ৰতিষ্ঠানৰ পাঁচজনীয়া বিশেষজ্ঞ দলৰ লগতে অ' এন জি চিৰ সংকট ব্যৱস্থাপনা দলৰ যৌথ প্ৰচেষ্টাত শুক্ৰবাৰে দিনৰ ১১ বজাত সফলভাৱে গেছ নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱাৰ পাছত ৰাইজে স্বস্তিৰ নিশ্বাস ল'লে। ইফালে, গেছ নিয়ন্ত্ৰণত দিনে-নিশাই ব্যস্ত থকা প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী আনন্দ-উল্লাসত নাচি উঠে। এই কথা শুকুৰবাৰে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীয়ে নিজৰ এক্স হেণ্ডেলযোগে সদৰী কৰে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীগৰাকীয়ে লিখিছে, "অৱশেষত ১১১৫ ঘণ্টাৰ মূৰত আৰ ডি এছ ১৪৭(এ) তৈলখাদৰ গেছ নিৰ্গমন আজি অ' এন জি চিয়ে সফলতাৰে বন্ধ কৰিবলৈ সক্ষম হয়। গেছ নিৰ্গমন ৰচ জুনত আৰম্ভ হৈছিল আৰু প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰি ইয়াক কম সময়ৰ ভিতৰতে ইয়াক নিয়ন্ত্ৰণলৈ অনা হয়।" অ' এন জি চিয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতি জনোৱা মতে শুক্ৰবাৰে কাহিলিপুৰাৰে পৰা অ'এনজিচিৰ সংকট ব্যৱস্থাপনা দল (চিএমটি), মাৰ্কিন বিশেষজ্ঞ দলটো আৰু স্থানীয় অভিযানকাৰী দলে গেছ নিয়ন্ত্ৰণৰ অভিযান আৰম্ভ কৰে। অভিযানত দলটোৱে ক্ষতিগ্ৰস্ত ব্ল'আউট প্ৰিভাণ্টাৰটো (বিঅ'পি) বেলহেডৰ পৰা নিৰাপদে আঁতৰোৱাৰ বাবে ( নপৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক 'ধৰ্ম চক্ৰৱৰ্তী' উপাধিৰে সন্মানিত



ৰঙিলী বাৰ্ত্তাসেৱা- নতুন দিল্লীত কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয় আৰু ভগৱান মহাবীৰ অহিংসা ভাৰতী ন্যাসৰ উদ্যোগত আয়োজিত জৈন সন্ত আচাৰ্য শ্ৰী১০৮ বিদ্যানন্দজী মহাৰাজৰ শতবাৰ্ষিকী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক 'ধৰ্ম চক্ৰৱৰ্তী' উপাধিৰে সন্মানিত কৰা হয়। জৈন আধ্যাত্মিক গুৰুৰ পৰা এই সন্মান গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়- মই নিজকে ইয়াৰ বাবে যোগ্য বুলি নাভাবোঁ। কিন্তু আমাৰ সংস্কৃতি যে সাধুৰ পৰা যিয়েই গ্ৰহণ কৰা নহওক সেয়া প্ৰসাদ হিচাপে লোৱা হয়। গতিকে ময়ো এই প্ৰসাদ অতি বিনম্ৰতাৰে গ্ৰহণ কৰিছোঁ আৰু মা ভাৰতীক উৎসৰ্গা কৰিছোঁ। জৈন গুৰুৰ শতবাৰ্ষিকী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এই দিনটোৰ বিশেষত্ব ব্যাখ্যা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ১৯৮৭ চনৰ ২৮ জুনৰ এই দিনটোতেই আচাৰ্য (দহ পৃষ্ঠাত চাওক)

# গুৱাহাটী উচ্চ ন্যায়ালয়ে চাকৰি ঘূৰাই দিয়াৰ নিৰ্দেশ দিয়া নাইঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অসম লোকসেৱা আয়োগ (এপিএছচি)ৰ নিযুক্তি কেলেংকাৰি সন্দৰ্ভত শেহতীয়াকৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে দিয়া ৰায়ক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদ মেলত কয়- বৰ্খাস্ত কৰাসকলক চাকৰি ঘূৰাই দিবলৈ ৰায় দিয়া বুলি বাতৰিকাকতত লিখা হৈছিল। আমি ৰায়টো পৰীক্ষা কৰিলোঁ। গুৱাহাটী উচ্চ ন্যায়ালয়ে চাকৰি ঘূৰাই দিয়াৰ কোনো নিৰ্দেশ তাত দিয়া নাই। উচ্চ ন্যায়ালয়ে কেৱল আমাক এটা কথাই কৈছে- তেওঁলোকৰ যিখন বৰ্খাস্তকৰণৰ নিৰ্দেশ, সেইখন সলনি কৰি দিব লাগে। অৰ্থাৎ পূৰ্বে বৰ্খাস্তৰ নিৰ্দেশত এপিএছচিৰ কথা লিখা হৈছিল। এতিয়া উচ্চন্যায়ালয়ে কৈছে- আপোনালোকে সেইবোৰ একো নিলিখিব। সাধাৰণ বৰ্খাস্তকৰণৰ এটা নিৰ্দেশ দিয়ক, যাতে তেওঁলোকে ভৱিষ্যতে অন্য কাম পোৱাত অসুবিধা নহয়। গতিকে সংবাদ মাধ্যমত যিধৰণৰ বাতৰি প্ৰকাশ পাইছে সেয়া সত্যৰ ওপৰত (দহ পৃষ্ঠাত চাওক)

# জ্যেষ্ঠ আইপিএছ বিষয়া পৰাগ জৈনক ৰ'ৰ মুৰব্বী হিচাপে নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- অপাৰেচন সিন্দূৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা জ্যেষ্ঠ আইপিএছ বিষয়া পৰাগ জৈনক ৰিছাৰ্চ এণ্ড এনালাইছিছ উইং (ৰ')ৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে ১৯৮৯ বেটছৰ পঞ্জাব কেডাৰ আইপিএছ বিষয়া পৰাগ জৈনক নতুন ৰ'ৰ মুৰব্বী হিচাপে নিযুক্তি দিয়ে। ১ জুলাইত পৰাগ জৈনে দায়িত্ব গ্ৰহণ কৰিব। ৰ'ৰ মুৰব্বী ৰবি সিন্হাৰ স্থানত দায়িত্ব গ্ৰহণ কৰি পৰাগ জৈনে দুবছৰৰ বাবে পুনৰ দায়িত্ব গ্ৰহণ কৰিব। উল্লেখ্য যে ভাৰতৰ সবাতোকৈ প্ৰত্যাহ্বানমূলক নিৰাপত্তাৰ অঞ্চল জম্মু-কাশ্মীৰত কাম কৰাৰ প্ৰচুৰ অভিজ্ঞতা সম্পন্ন দক্ষ বিষয়া পৰাগ জৈনে তেওঁৰ চাকৰিৰ জীৱনত অনেক শীৰ্ষ পদত কাৰ্যনিৰ্বাহ কৰে। ২০২১ চনৰ ১ জানুৱাৰীত পঞ্জাবৰ আৰক্ষী সঞ্চালক হিচাপে পদোন্নতি লাভ কৰা পৰাগ জৈনক পিছলৈ কেন্দ্ৰীয় চৰকাৰে নতুন দিল্লীলৈ (দহ পৃষ্ঠাত চাওক)

# মাজুলী মহাবিদ্যালয়ত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ সফল সামৰণি




ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলীৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ মাজুলী মহাবিদ্যালয়ত শুক্ৰবাৰৰ পৰা অনুষ্ঠিত 'Bioresources Conservation: Challenges and Opportunity on the Dynamic Climate Changes in Northeast India' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা চক্ৰখনিৰ সফলতাৰে সামৰণি পৰে। 'অনুসন্ধান নেশ্যনেল ৰিচাৰ্চ ফাউণ্ডেশ্যন' আৰু 'জৈৱ প্ৰযুক্তিবিদ্যা বিভাগ' ৰ অৰ্থ সাহায্যেৰে মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ, ইক' ক্লাব তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত অনুষ্ঠিত আলোচনাচক্ৰখনিৰ দ্বিতীয় দিনা প্ৰায় শতাধিক অংশগ্ৰহণকাৰীয়ে অনলাইন মাধ্যমেৰে নিজৰ গৱেষণা পত্ৰ পাঠ কৰে। বিয়লিৰ ভাগত আনুষ্ঠানিকভাৱে আলোচনাচক্ৰখনিৰ সামৰণি অনুষ্ঠান আয়োজন কৰা হয়। সামৰণী অনুষ্ঠানত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই আলোচনাচক্ৰখনিত হোৱা আলোচনাসমূহে জৈৱ সম্পদ সুৰক্ষাৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে। লগতে মাজুলী মহাবিদ্যালয়ত এনে এটি প্ৰাসংগিক বিষয়ত আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ সুবিধা প্ৰদান কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ ( তিনিপৃষ্ঠাত চাওক)

# বিশ্বৰ জেভেলিন ৰেংকিঙৰ শীৰ্ষস্থানত নীৰজ চোপ্ৰা



ৰঙিলী বাৰ্ত্তাসেৱা- ৱৰ্ল্ড এথলেটিকছে প্ৰকাশ কৰিছে জেভলিন থ্ৰ'ৰ নতুন ৰেংকিঙ অনুসৰি দুটাকৈ অলিম্পিক পদক জয়ী নীৰজ চোপ্ৰাই পুনৰবাৰ শীৰ্ষস্থান দখল কৰিছে । নতুন ৰেংকিঙত নীৰজ চোপ্ৰাই ১৪৪৫ পইণ্ট লাভ কৰাৰ বিপৰীতে এণ্ডাৰছন পিটাৰ্ছে ১৪৩১ পইণ্টেৰে দ্বিতীয় স্থানত আছে। জাৰ্মান এথলীট জুলিয়ান ৱেবাৰে ১৪০৭ পইণ্ট লাভ কৰি তিনি নম্বৰ স্থানত থকাৰ বিপৰীতে ১৩৭০ পইণ্টেৰে চতুৰ্থ স্থানত আছে পাকিস্তানৰ আৰ্ছাদ নাদীম। পেৰিছ ডায়মণ্ড লীগ আৰু অষ্ট্ৰাভা গ'ল্ডেন স্পাইকত শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ সুবাদত নীৰজ চোপ্ৰাই বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানটো পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে জেভেলিন থ্ৰ'ৰ বৰ্তমানৰ বিশ্ব চেম্পিয়ন নীৰজে যোৱা বছৰৰ ১৭ ছেপ্টেম্বৰত ব্ৰুছেলছত অনুষ্ঠিত ডায়মণ্ড লীগৰ ফাইনেলত গ্ৰানাডাৰ এণ্ডাৰছন পিটাৰ্ছৰ হাতত পৰাস্ত হোৱাত শীৰ্ষস্থানটো হেৰুৱাবলগীয়া হৈছিল।

# প্ৰাপ্তবয়স্কক আধাৰ কাৰ্ড কেৱল ডিচিয়েহে দিব পাৰিবঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- দিছপুৰৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শুকুৰবাৰে অসম চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই কেবিনেটতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছতে কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰী কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়া মতে, এতিয়াৰে পৰা প্ৰাপ্তবয়স্ক লোকক আধাৰ কাৰ্ড দিব পাৰিব কেৱল জিলা আয়ুক্ত (ডিচি)ইহে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আমি প্ৰতিদিনে ২০-২৫-৩০জন অনুপ্ৰৱেশকাৰীক অসমৰ পৰা ওভতাই পঠিয়াই আছোঁ। কিন্তু এনেকুৱাও নহয়, আৰক্ষীয়ে সকলোকে ধৰিব পাৰিছে। ইতিমধ্যে অসমত আধাৰ কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়া বহুবছৰ হৈ গ'ল। প্ৰাপ্তবয়স্ক মানুহে এতিয়া আধাৰ কাৰ্ড লোৱাৰ প্ৰয়োজনীয়তা নাই। কাৰণ তেওঁলোকক আধাৰ কাৰ্ড দিয়া হৈ গৈছে। কেৱল আধাৰ কাৰ্ড দিব লাগে নতুনকৈ জন্মলাভ কৰা শিশুসকলকহে। গতিকে আমি এতিয়া অসমত নিয়ম কৰিম- প্ৰাপ্তবয়স্ক লোকে আধাৰ কাৰ্ড বিচাৰিলে অকল জিলা আয়ুক্তইহে দিব পাৰিব। পৰৱৰ্তী কেবিনেট বৈঠকত এই বিষয়ে ভালদৰে আলোচনা (দহ পৃষ্ঠাত চাওক)

# এছচিঅ'ৰ যৌথ ঘোষণা পত্ৰত স্বাক্ষৰ নকৰিলে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে



ৰঙিলী বাৰ্তাসেৱা- জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত পাক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ প্ৰসংগ উল্লেখ নথকা বাবেই চীনত অনুষ্ঠিত ছাংহাই কো-অপাৰেচন অৰ্গেনাইজেচন, চমুকৈ এছচিঅ'ৰ যৌথ বিবৃতিত স্বাক্ষৰ নকৰিলে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰা ভাৰতে চীনৰ কিংডাওত অনুষ্ঠিত এছচিঅ' সন্মিলনত পেহেলগামত যোৱা ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰসংগ এছচিঅ'ৰ যৌথ ঘোষণা-পত্ৰত উল্লেখ নকৰাৰ বাবেই প্ৰতিৰক্ষা মন্ত্ৰী সিঙে তীব্ৰ প্ৰতিবাদ কৰাৰ লগতে সন্মিলনৰ যৌথ ঘোষণা-পত্ৰত স্বাক্ষৰ নকৰি পাক মদতপুষ্ট সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতি স্পষ্ট কৰি দিয়ে। মন কৰিবলগীয়া যে জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়টো উল্লেখ নকৰাৰ বিপৰীতে এই ঘোষণা-পত্ৰত পাকিস্তানত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিষয়ে উল্লেখ কৰা হৈছিল। এই লৈ অসন্তুষ্টি ব্যক্ত কৰি প্ৰতিৰক্ষা মন্ত্ৰী সিঙে ঘোষণা-পত্ৰত স্বাক্ষৰ নকৰি ভাৰতৰ সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদক লৈ কঠোৰ স্থিতি স্পষ্ট কৰি দিয়াৰ লগতে চীনক এইক্ষেত্ৰত সমালোচনা কৰে। এছচিঅ'ৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সন্মিলনত প্ৰতিৰক্ষা মন্ত্ৰী সিঙে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে সদস্য দেশসমূহে সন্ত্ৰাসবাদক লৈ দুমুখীয়া ( নপৃষ্ঠাত চাওক)

# শীঘ্ৰে সম্পন্ন হ'ব ৫, ৫৫০টা নিয়মীয়া শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া

ৰঙিলী বাৰ্তাসেৱা- শীঘ্ৰে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে সম্পন্ন কৰিব ৫, ৫৫০টা নিয়মীয়া শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া। এই পদসমূহৰ ভিতৰত ৩, ৮০০টা নিম্ন প্ৰাথমিকৰ হোৱাৰ বিপৰীতে বাকী ১, ৭৫০টা উচ্চ প্ৰাথমিকৰ। ইতিমধ্যে ন্যায়ালয়ৰ বাধা আঁতৰাত প্ৰাৰ্থীসকলৰ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মহানগৰীৰ খানাপাৰাস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তৰ্জাতিক অতিথিশালাত অহা ৮ জুলাই পৰ্যন্ত অনুষ্ঠিতব্য নথি পৰীক্ষণৰ প্ৰথম তিনি দিন ক্ৰমে ২৭ জুন, ২৮ জুন আৰু ৩০ জুনত উপস্থিত থাকিবলগীয়া প্ৰাৰ্থীসকলৰ তালিকা প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে প্ৰকাশ কৰিছে। এই সন্দৰ্ভত প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে কয় যে নথি পৰীক্ষণ প্ৰক্ৰিয়া ইতিপূৰ্বে আৰম্ভ কৰা হৈছে। কিন্তু আদালতৰ নিৰ্দেশত কিছুদিন স্থগিত ৰাখিবলগীয়া হ'ল। এতিয়া পৰ্যায়ক্ৰমে নথি পৰীক্ষণৰ কাম আগবঢ়াই নিয়া হ'ব। প্ৰথম (দহ পৃষ্ঠাত চাওক)

# মীৰা বৰঠাকুৰৰ বিৰুদ্ধে মানহানি গোচৰ ৰিণিকি ভূঞা শৰ্মাৰ





ৰঙিলী বাৰ্তাসেৱা- প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ বিৰুদ্ধে মানহানি গোচৰ ৰুজু কৰিছে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ৰিণিকি ভূঞা শৰ্মাই। উল্লেখ্য যে ডিব্ৰুগড়ত কংগ্ৰেছৰ এখন সভাত মীৰা বৰঠাকুৰ গোস্বামীয়ে ৰিণিকি ভূঞা শৰ্মাই মা কামাখ্যা দেৱালয় আৰু মহামৃত্যুঞ্জয় মন্দিৰৰ পৰা ধন সংগ্ৰহ কৰাৰ এক অভিযোগ উত্থাপন কৰিছিল। মীৰা বৰঠাকুৰ গোস্বামীৰ উক্ত মন্তব্যক লৈয়ে আদালতত ৰিণিকি ভূঞা শৰ্মাই অপৰাধমূলক মানহানিৰ এক গোচৰ ৰুজু কৰে। মীৰা বৰঠাকুৰে উত্থাপন কৰা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন বুলি দাবী কৰি তেওঁৰ বিৰুদ্ধে আদালতত অপৰাধমূলক মানহানিৰ গোচৰ ৰুজু কৰিছে ৰিণিকি ভূঞা শৰ্মাই । অহা ১৮ আগষ্টত গোচৰটোৰ শুনানিৰ দিন স্থিৰ কৰা হৈছে। উক্ত দিনা আদালতত উপস্থিত হ'ব লাগিব মীৰা বৰঠাকুৰ গোস্বামী। এই সন্দৰ্ভত ৰিণিকি ভূঞা শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়- মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে অভিযোগ তুলিছিল যে মা কামাখ্যা দেৱালয় আৰু ( নপৃষ্ঠাত চাওক)

# মাজুলী মহাবিদ্যালয়ত

দুয়োটা গৱেষণা প্ৰতিষ্ঠানকে কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ পিছত উপস্থিত অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হয়। সামৰণি অনুষ্ঠানত আৰ্য মহাবিদ্যালয়ৰ অধ্যাপক ডঃ অজয় দাস, ধেমাজি মহাবিদ্যালয়ৰ অধ্যাপক ভাস্কৰ শৰ্মা, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, আই কিউ এ চিৰ সমন্বয়ক ডঃ দেৱজ্যোতি ভট্টাচাৰ্য, জ্যেষ্ঠ অধ্যাপক গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, ডঃ ৰূপজ্যোতি বৰা, সুৰেন চন্দ্ৰ দাস, তুলসী ৰাজখোৱা, বসন্ত বৰা, অপূৰ্বজ্যোতি হাজৰিকা, ডঃ দুলাল হাজৰিকা, ডঃ প্ৰফুল্ল বৰা, প্ৰণৱজ্যোতি বৰা, নৱজিৎ চেলেং, দিনেশ পেগু, ডঃ জুলি গগৈ, ডঃ পল্লৱী দুৱৰা, বিজয় টিমুং, ডঃ অৰূপ বুঢ়াগোহাঁই, ডঃ জয়া কলিতা গগৈ, লেঃ কংকন বৰদলৈ, আচাৰ্য মোহন দাস, ডঃ বিশাল ভূঞা, সুদৰ্শনা ফুকন, অভিনৱ শংকৰ গোস্বামী, বিদিশা ভট্টাচাৰ্য, বিশাল শইকীয়া, প্ৰজ্ঞা পাৰমিতা কৌশিকে প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশ লৈ অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত সহায় কৰে। আলোচনাচক্ৰখনি সাফল্যমণ্ডিত হোৱাত অৰিহণা যোগোৱা সকলোকে শলাগ জ্ঞাপন কৰে সমন্বয়ক ডঃ মহঃ আমিনুল ইছলামে। উল্লেখ্য, মাজুলীৰ উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ মহাবিদ্যালয়খনত অনুষ্ঠিত এই বিশেষ আলোচনাচক্ৰখনত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰায় দুই শতাধিক অংশগ্ৰহণকাৰীয়ে নিজৰ গৱেষণা পত্ৰ পাঠ কৰে।

# স্বাস্থ্য সজাগতা সভা আৰু আঠুৰা ঔষধিকৰণ শিৰিৰ সম্পন্ন গোলাঘাট মুদৈ গাঁৱত



ৰঙিলী বাৰ্তাসেৱা- গোলাঘাট জিলা স্বাস্থ্য বিভাগ, কমাৰ বন্ধা খণ্ড প্ৰাথমিক স্বাস্থ্য খণ্ডৰ অন্তৰ্গত বৰুৱা গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মুদৈ গাঁৱত বৰ্তমান বাৰিষা সময়ত হ'বা পৰা বাহৰ্ক জনিত ৰোগৰ পৰা কিছু সকাহ পাবৰ বাবে আজি বৰুৱা গাঁৱৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত স্বাস্থ্য সজাগতা সভা, আঠুৰা ঔষধিকৰণ শিৰিৰ অনুষ্ঠিত হয়। উক্ত সভাত মেলেৰিয়া বিভাগৰ স্বাস্থ্যকৰ্মী বিজয় শইকীয়াই মেলেৰিয়া ৰোগৰ পৰা কেনেকৈ ৰক্ষা পাব পাৰি এই সন্দৰ্ভত উপস্থিত ৰাইজক উদ্দেশি বক্তব্য আগবঢ়াই সজাগ কৰি তোলে। শিৰিৰটোত ৬০টা পৰিয়ালে আঠুৰা ঔষধিকৰণ কৰাৰ পৰিৱৰ্তে অঞ্চলটোৰ জ্বৰ হোৱা ব্যক্তিৰ পৰা তেজৰ নমুনা সংগ্ৰহ কৰে। উক্ত সভাত বৰুৱা গাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ক্ষেত্ৰ পৰিদৰ্শক খগেন বৰা, বহুমুখী স্বাস্থ্যয কৰ্মী উজ্বল শইকীয়া, বহুমুখী স্বাস্থ্য কৰ্মী সুখজিৎ দাস, আশা চুপাৰভাইজা ঘনকান্তি গগৈ, আশা কৰ্মী বুলি বৰা উপস্থিত থাকে।

# ইতিহাস ৰচি আইএছএছলৈ ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লা



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত বহু অপেক্ষাৰ অন্তত ইতিহাস ৰচি স্পেছএক্সৰ ড্ৰেগণ কেপচুলে ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাকে ধৰি চাৰিজন মহাকাশচাৰীক লৈ উৰা মাৰিলে মহাকাশ অভিমুখে। অক্সিয়ম-৪ অভিযানেৰে ভাৰতীয় সময় অনুসৰি দিনৰ ১২.০১ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা স্পেচ এক্সৰ মহাকাশযান ড্ৰেগনেৰে ভাৰতীয় মহাকাশচাৰীসহ ৪ নভোচৰ আইএছএছলৈ ৰাওনা হৈছে। ছবাৰকৈ অক্সিয়ম-৪ অভিযান স্থগিত ৰখাৰ পাছত বুধবাৰে ভাৰতৰ বাবে বহুপ্ৰতীক্ষিত আইএছএছলৈ প্ৰথমগৰাকী মহাকাশচাৰী শুভাংশু শুক্লাক প্ৰেৰণৰ অভিযান সুকলমে আৰম্ভ হয়। আমেৰিকাৰ ফ্ল'ৰিডাৰ কেনেডি মহাকাশ কেন্দ্ৰৰ পৰা ফেলকন-৯ ৰকেটে ড্ৰেগন মহাকাশ যানখন কঢ়িয়াই লৈ যায়। মহাকাশযান ড্ৰেগনত ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লা, নাছাৰ প্ৰাক্তন নভোচৰ তথা অক্সিয়ম স্পেচৰ মানৱ মহাকাশযানৰ সঞ্চালক পেগী হুইটছন, পোলেণ্ডৰ শ্লায়ছ উজনানস্কি-উইছনিউছিটি আৰু হাংগেৰীৰ টীবৰ কাপুক লৈ আইএছএছলৈ যাত্ৰা কৰা মহাকাশযানখন ইতিমধ্যে পৃথিৱীৰ কক্ষপথত প্ৰদক্ষিণ কৰিবলৈ আৰম্ভ কৰিছে। ভাৰতৰ বাবে বহুপ্ৰতীক্ষিত আইএছএছলৈ মহাকাশচাৰী প্ৰেৰণ কৰা অক্সিয়ম-৪ অভিযান নাছা, অক্সিয়ম স্পেচ, স্পেচএক্স, ইছৰো আৰু ইএছএৰ যৌথ অভিযান। ১৯৮৪ চনত ৰাছিয়াৰ মহাকাশযানত মহাকাশলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় মহাকাশচাৰী ৰাকেশ শৰ্মাৰ পিছত ৪১ বছৰৰ মূৰকত মহাকাশলৈ দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী ভাৰতীয় বায়ুসেনাৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লা। আইএছএছত ১৪ দিন বাহৰ পাতি থাকি শুক্লাসহ মহাকাশচাৰীকেইজনে ৬০তকৈ অধিক পৰীক্ষা-নিৰীক্ষা চলাব। ফেলকন-৯ ৰকেটে মহাকাশযান ড্ৰেগন সফলতাৰে উৎক্ষেপণ কৰি পৃথিৱীৰ কক্ষপথত এৰি দিয়াৰ পাছত মহাকাশচাৰী শুভাংশু শুক্লাই দেশবাসীলৈ প্ৰথমটো বাৰ্তা প্ৰেৰণ কৰি কয়- সকলো দেশবাসীক নমস্কাৰ। অসাধাৰণ যাত্ৰাৰে ৪১ বছৰ পাছত ভাৰতৰ হে মহাকাশত পদাৰ্পণ কৰিলোঁ। এই মুহূৰ্তত আমি ছেকেণ্ডত ৭.৫ কিলোমিটাৰ বেগেৰে পৃথিৱীৰ (নপৃষ্ঠাত চাওক)



# গৌৰীপুৰত নিৰ্মীয়মাণ ট্ৰাম্পেট জংচন পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ গুৱাহাটীৰ গৌৰীপুৰত ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মীয়মাণ ট্ৰাম্পেট জংচন অৰ্থাৎ, একাধিক পথৰ আন্তঃসংযোগকাৰীৰ স্থান পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বুজ লয়। এই পৰিদৰ্শন কালতে মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্মাণকাৰ্যৰ লগত জড়িত প্ৰতিষ্ঠানৰ প্ৰতিনিধি, লোকনিৰ্মাণ বিভাগৰ অভিযন্তাৰ উপস্থিতিত ট্ৰাম্পেট জংচনৰ নিৰ্মাণকাৰ্যৰ বিভিন্ন কাৰিকৰী দিশকে ধৰি অন্যান্য দিশসমূহৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰে। সময় নিৰ্ধাৰিতভাৱে এই কাম সম্পূৰ্ণ কৰিবলৈ তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে সংবাদ মাধ্যমক মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ কাম অহা ডিচেম্বৰ-জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰস্তুতি চলাই থকা (নপৃষ্ঠাত চাওক)

# বছৰত দুবাৰকৈ অনুষ্ঠিত হ’ব CBSEৰ দশম শ্ৰেণীৰ পৰীক্ষা




ৰঙিলী বাৰ্ত্তাসেৱা- সলনি হ'ল কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (CBSE)ৰ দশম শ্ৰেণীৰ পৰীক্ষাৰ নিয়ম। এতিয়াৰে পৰা বছৰত দুবাৰকৈ অনুষ্ঠিত হ'ব CBSEৰ দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা। প্ৰথম পৰ্যায়ৰ পৰীক্ষা ফেব্ৰুৱাৰী মাহত আৰু দ্বিতীয় পৰ্যায়ৰ পৰীক্ষা মে' মাহত অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ৰ ফলাফল এপ্ৰিল মাহত আৰু দ্বিতীয় পৰ্যায়ৰ ফলাফল জুন মাহত প্ৰকাশ পাব। এই তথ্য সদৰী কৰিছে চিবিএছইৰ পৰীক্ষা নিয়ন্ত্ৰক সন্যম ভৰদ্বাজে। তেওঁ কয়, "ফেব্ৰুৱাৰী মাহত প্ৰথম পৰ্যায়ৰ আৰু দ্বিতীয় পৰ্যায়ৰ পৰীক্ষাটো অনুষ্ঠিত হ'ব মে' মাহত।" চিবিএছইয়ে প্ৰকাশ কৰা তথ্যানুসৰি দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম পৰ্যায়ৰ ব'ৰ্ড পৰীক্ষাত অৱতীৰ্ণ হোৱাটো বাধ্যতামূলক হ'ব। তাৰ পৰিৱৰ্তে দ্বিতীয় পৰ্যায়ৰ পৰীক্ষাটো Optionalহে হ'ব। কিন্তু, আভ্যন্তৰীণ মূল্যায়ন কৰা হ'ব এবাৰহে। এই সিদ্ধান্তৰ পাছত ছাত্ৰ- (নপৃষ্ঠাত চাওক)

# হাচিলা বিল পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গোৱালপাৰা চহৰৰ নিকটৱৰ্তী হাচিলা বিলত যোৱা ১৬ জুনত জিলা প্ৰশাসনে চলোৱা বৃহৎ উচ্ছেদ অভিযানৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে হাচিলা বিল। মুখ্যমন্ত্ৰীগৰাকীয়ে হাচিলা বিললৈ প্ৰায় ১ কিলোমিটাৰ বোকাময় পথেৰে খোজকাঢ়ি গৈ হাচিলা বিল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে হাচিলা বিলৰ ভৌগোলিক মেপ পৰ্যবেক্ষণ কৰাৰ লগতে ড্ৰোন কেমেৰাৰ সহায়ত সমগ্ৰ বিলখন পৰিদৰ্শন কৰি বিলখনক লৈ ভৱিষ্যৎ পৰিকল্পনা কিদৰে কৰিব পৰা যায় এই সন্দৰ্ভত বন বিভাগৰ লগতে পৰ্যটন বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে আলাপ-আলোচনা কৰে। ইফালে, মুখ্যমন্ত্ৰীৰ বিললৈ যাত্ৰা পথতে উচ্ছেদিত লোকসকলৰ সৈতে চমু বাৰ্তালাপ কৰাৰ সময়তে মুখ্যমন্ত্ৰীক কেইবাগৰাকী উচ্ছেদিত পুৰুষ-মহিলাই গামোচা পিন্ধাই নিজৰ মনৰ কথা ব্যক্ত কৰে। সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই হাচিলা বিলখনৰ পুৰণি নাম হাহিলা বিল বুলি গম পালোঁ, (নপৃষ্ঠাত চাওক)

# বোকাখাতৰ চিআৰপিএফ কেম্পত গ্ৰেনেড বিস্ফোৰণ



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলবাৰে নিশা বোকাখাতত সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। বোকাখাতৰ সাপজুৰিস্থিত পাণবাৰী চি আৰ পি এফ কেম্পৰ চৌহদত এটা কুটাঘাত জনিত বিস্ফোৰণৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। স্থানীয় এগৰাকী প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি এখন চলন্ত মটৰচাইকেলৰ পৰা কেম্পটোলৈ লক্ষ্য কৰি আনুমানিক ৮.৩৫ বজাত এক বিস্ফোৰক সামগ্ৰী দলিয়াই যোৱা প্ৰত্যক্ষ কৰিছে। তেওঁ সন্দেহ প্ৰকাশ কৰিছে যে কোনো লোকে এই কেম্পটো লক্ষ্য কৰি এই ঘটনা সংঘটিত কৰিছে। গ্ৰেনেড বিস্ফোৰণত অসম আৰক্ষীৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হৈছে বুলি জানিব পৰা গৈছে। আহত অসম আৰক্ষীৰ (নপৃষ্ঠাত চাওক)



# মহিলা বা নাৰী সৱলীকৰণ (Women Empowerment)

**অমিয়া বেগম**

নাৰীয়ে সৃষ্টিৰ আধাৰ নাৰীয়ে শক্তিৰ স্বৰূপ। এখন দেশৰ সৰ্বাংগীন বিকাশৰ পুৰুষৰ সমানেই নাৰীৰ ভূমিকা আছে যদিও কোনো ক্ষেত্ৰত বৰ্তমান অৱস্থাত নাৰী আজিও অৱহেলিত।এইবোৰ মুক্ত কৰি নাৰী সকলক সৱলীকৰণ কৰা প্ৰক্ৰিয়াতো এটা মনস্তাত্বিক জাগৰণ। নাৰী সৱলীকৰণৰ বাবে ভাৰতীয় সংবিধানত যৌতুক নিবাৰণ আইন, দেহ-ব্যৱসায় নিষিদ্ধ আইন, বাল্য বিবাহ নিয়ন্ত্ৰণ আইন পাৰিবাৰিক হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন আদি সন্নিবিষ্ট কৰা হৈছে। নিৰক্ষৰতা আৰু অজ্ঞানতাই সৰ্বসাধাৰণ মানুহৰ মন অন্ধ বিশ্বাস আৰু কু-সংস্কাৰ বোৰে আছন্ন কৰি ৰাখিছিল। ছোৱালীক স্কুলৰ আনুষ্ঠানিক শিক্ষা দিয়াটো পৰিয়াল তথা সমাজে সহজ ভাৱে গ্ৰহণ কৰিব পৰা নাছিল। বৰ্তমান বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ যুগতো মানুহে কু-সংস্কাৰ অন্ধবিশ্বাস, অস্পৃশ্যতা আদিৰ পৰা আতৰি আহিব পৰা নাই। মহিলাক সামাজিক ক্ষমতা প্ৰদান কৰা এটা সুদীৰ্ঘ আৰু কঠিন প্ৰক্ৰিয়া ইয়াৰ বাবে মানুহৰ ধ্যান-ধাৰণাৰ পৰিবৰ্তনৰ যথেষ্ট প্ৰয়োজন।

নাৰী সৱলীকৰণ এনেকুৱা এক প্ৰক্ৰিয়া যিয়ে মহিলা আৰু পুৰুষৰ সম অধিকাৰ আৰু সম মৰ্য্যদাৰ ভিত্তিত সমবিকাশৰ সু-ব্যৱস্থা নিশ্চিত কৰিব পাৰে। মহিলা সৱলীকৰণে নাৰীক সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় কৰাৰ উপৰিও আত্মবিশ্বাসী আৰু সমযোজন প্ৰক্ৰিয়াত সহায় কৰে। ১৯৮৫ চনত নাইজেৰিয়াত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় মহিলা সৱলীকৰণ সম্পৰ্কে এনেকুৱাকৈ কৈছিল যে - " মহিলা সৱলীকৰণ হ'ল সামাজিক শক্তি আৰু সম্পদ নিয়ন্ত্ৰণ ব্যৱস্থা। " নাৰী সৱলীকৰণ সম্পৰ্কে সকলো সচেতন হ'লেহে আমাৰ সমাজত প্ৰচলিত অন্ধবিশ্বাস কু-সংস্কাৰ বাল্য বিবাহ প্ৰথাৰ অৱসান ঘটাব পৰা হ'ব । এগৰাকী শিক্ষিত মাতৃয়ে নিজৰ আৰু পৰিয়ালৰ স্বাৰ্থৰ সম্পৰ্কে অধিক সচেতন। পুষ্টিকৰ আহাৰ যোগান ধৰা, পৰিষ্কাৰ আৰু পৰিচ্ছন্নতা পৰিৱেশ সৃষ্টি কৰা আও-পুৰণি কু-সংস্কাৰৰ বিৰুদ্ধে মুক্তি হোৱা বেমাৰৰ প্ৰতি ৰোধ কৰিবলৈ প্ৰতিকাৰ কৰা, তৎকালীন চিকিৎসা গ্ৰহণ কৰাৰ উপকাৰ সম্পৰ্কে আন দহগৰাকীক অৱগত কৰায়।

শিক্ষা হৈছে মহিলাৰ সশক্তি কৰণৰ আটাইতকৈ ডাঙৰ সজুঁলি আৰু লগতে দেশৰ

(আঠপৃষ্ঠাত চাওক)

# অম্বুবাচী

**লক্ষ্মী বৰ্মন**



উখল মাখল
নীলাচলৰ বুকু
পবিত্ৰ কামাখ্যা ধাম
ভক্তি ৰসত
উখল মাখল
চৌদিশে হৰি নাম ।
অগনন ভক্তৰ
ভক্তি অঞ্জলি
যেন বৈকুণ্ঠ ধাম
আকাশত হৰিনাম
বতাহত হৰিনাম
পবিত্ৰ নীলাচল ধাম ।
জয় জয় মাতাৰাণী
জগত জননী তুমি
ভক্তক কৰিবা দয়া
তোমাৰ শ্ৰীচৰণত
শিৰনত কৰিলো.
শতবিল্ব পত্ৰ দিয়া ।
সাধু ভক্তগনে
যাগ যজ্ঞ কৰিছে
শ্ৰীচৰণত কৰিছে সেৱা
ভক্তি অঞ্জলি লোৱা
হে জননী আই
শ্ৰদ্ধাৰে কৰিলো সেৱা ।
জন সমুদ্ৰত
পৰিনত হ'ল
তোমাৰ পবিত্ৰ ধাম
মহাযজ্ঞ মেলা
নীলাচলৰ বুকুত
চৌদিশে হৰি নাম ।
অম্বুবাচী মেলা
মাৰ দৰবাৰত
যেন বৈকুণ্ঠ ধাম
তুষ্ট হোৱা আই
জগত জননী
শ্ৰদ্ধাৰে কৰিলো প্ৰণাম।

# হতাশাগ্ৰস্থ সমাজখনক পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত সমাজৰ সকলোৰে কৰণীয় আছে..

**মানসী মিশ্ৰ**

বতৰে বোলে বতৰ, খবৰে বোলে খবৰ। বিগত কেইটামান দিন ধৰি আমাৰ চৌপাশে কেৱল গোমা পৰিৱেশ। কিছুদিন আগলৈকে ৰ'দৰ প্ৰচণ্ড উত্তাপত দেই পুৰি নিয়া অৱস্থা। আমাৰ ৰাজ্যতে তাপমাত্ৰা ৫০° ডিগ্ৰীৰ ওচৰ চাপিছিল। একপ্ৰকাৰ মানুহৰ জীয়াই থকাটো টান হৈ পৰিছিল। তাৰ ঠিক পিছতেই নেৰানেপেৰা বৰষুণ। কৰবাত মুষলধাৰ বৰষুণে সৃষ্টি কৰা কৃত্ৰিম বানপানী, আন কৰবাত নৈৰ মথাউৰি ভাঙি সৃষ্টি হোৱা বানপানী। মুঠতে সকলোফালে কৰ্দমময় পৰিৱেশ। ইয়াৰ মাজে মাজে বিভিন্ন ঠাইত হোৱা গুৰুতৰ দুৰ্ঘটনা, লোমহৰ্ষক হত্যাকাণ্ড, ঠায়ে ঠায়ে আত্মহননৰ শিহৰণকাৰী ঘটনা। মুঠতে প্ৰতিকুল পৰিৱেশে মানুহৰ শৰীৰ, মন সকলোকে ভাৰাক্ৰান্ত কৰি ৰাখিছে। এনে এক পৰিস্থিতিৰ মাজত আমি যত ৰাতিপুৱা বাতৰি কাকতখন হাতত তুলি ল'বলৈ কিবা এক অজান ভয়ে আগুৰি ধৰে। অথচ ৰাতিপুৱা বাতৰি কাকতখন পঢ়াৰ আমেজেই সুকীয়া। দেশ-বিদেশৰ গঠনমূলক বাতৰি, সাহিত্য সংস্কৃতি সম্পৰ্কীয় নন বাতৰিয়ে দিনটোৰ বাবে মনলৈ সজীৱতা আনি দিব পাৰে। ঠিক একেদৰে দিনটোৰ বিভিন্ন খা-খবৰৰ উমান



পাবলৈ সন্ধিয়া টি.ভিটোৰ সমুখত বহিবলৈ ভয় লগা হ'ল জানোচা কিবা অনাকাংখিত খবৰে মনটোক শংকিত কৰে। এতিয়া দেখোন হত্যাকাণ্ড, মাৰপিটৰ ঘটনাৰে পৰিপূৰ্ণ হৈ থাকে বাতৰি কাকতৰ পৃষ্ঠা, টি.ভিৰ বাতৰিসমূহ। মই নিজেই সৌসিদিনা একেটা দিনতে পাঁচটাকৈ আত্মহননৰ বাতৰি লাভ কৰিছিলোঁ। কেতিয়াবা ভাবিলে এনেকুৱাও লাগে একো একোটা সাধাৰণ কাৰণতে নিজক শেষ কৰি পেলোৱাটোৱেই যেন শেষ সিদ্ধান্ত। চলিত বছৰটোৰ ভিতৰতে কেইবাগৰাকী এনে ছাত্ৰ-ছাত্ৰী যাৰ বহু মেধা আছিল, সম্ভাৱনা, প্ৰতিভা লুকাই আছিল তেনে ছাত্ৰ-ছাত্ৰীয়ে আত্মহননৰ দৰে কঠোৰ সিদ্ধান্ত বাচি লৈছে। ইয়াত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, আভিযান্তিক মহাবিদ্যালয়ৰ মেধাবী ছাত্ৰ, অভিযন্তা, চিকিৎসক, অসামৰিক সেৱাৰ বিষয়া, গৃহিণীকে আদি কৰি সকলোখিনি সোমাই আছে। আনহে নালাগে বৰ্তমান সময় আৰু পৰিস্থিতিত স্কুল, কলেজৰ ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰীয়েও জীৱনলৈ কিবা এটা সমস্যা অথবা ঘাট-প্ৰতিঘাট আহিলেই হঠাতেই এনে চৰম সিদ্ধান্ত লয়। উদাহৰণস্বৰূপে আজি কেইবছৰ মান আগতে পঞ্চম শ্ৰেণীৰ ছাত্ৰ এজনক সন্ধিয়া মাকে পঢ়িবলৈ নোযোৱাৰ বাবে ধমকি দিছিল। মাকে সৰু ভনীয়েকজনীক ওমোলাই কিছুসময় পিছত ল'ৰাজনৰ বাবে খোৱাবস্তু দিবলৈ অহাতহে পোহৰলৈ আহিল যে তেওঁৰ

(আঠপৃষ্ঠাত চাওক)

# International Day of Yoga: Reviving Ancient Wisdom for a Modern World



**Heramba Nath**

Hypertension and diabetes, two of the most widespread lifestyle-induced medical conditions, have emerged as major public health concerns globally. Yoga has consistently proven effective in controlling these ailments, both as a preventive measure and a complementary therapy. Specific postures combined with deep breathing exercises stimulate the pancreas, optimise insulin secretion, and improve metabolic efficiency. Studies have confirmed the ability of yoga to lower blood pressure by calming the sympathetic nervous system, reducing arterial stiffness, and promoting vascular health. Programmes integrating yoga into conventional medical treatment have reported improved patient outcomes, decreased medication dependency, and enhanced quality of life.

Mental stress, insomnia, and anxiety-related sleep disorders have grown alarmingly prevalent, particularly in urban populations subjected to relentless work pressure, digital overload, and environmental stressors. Yoga intervenes in this vicious cycle by promoting relaxation through physical and mental techniques. The controlled breathing patterns of pranayama regulate heart rate variability, promoting parasympathetic nervous system dominance, a state essential for restful sleep. Meditation practices such as Yoga Nidra systematically relax the body and mind, reducing mental chatter and releasing suppressed emotional tension. Clinical observations have recorded significant improvement in sleep duration, depth, and quality among individuals adopting yoga-based routines.

Another socially pertinent application of yoga lies in addiction management. Whether in combating dependency on intoxicants, alcohol, tobacco, or harmful habits like excessive digital exposure, yoga provides a non-invasive, psychologically empowering intervention. It enhances self-control, diminishes cravings, and addresses the emotional voids that often trigger addictive behaviours. Rehabilitation centres incorporating yoga programmes report higher recovery rates, reduced relapse incidents, and improved emotional adjustment among recovering addicts. The discipline fosters self-esteem, resilience, and the capacity to find joy in natural, non-destructive experiences.

Frustration and existential dissatisfaction have become defining features of contemporary human experience. In a hyper-competitive society where worth is increasingly measured by material success, social media validation, and consumerist gratification, a growing segment of the population experiences chronic frustration, emotional fatigue, and purposelessness.

***Next Issue***

**যোৰাখণ্ডৰ পৰা..**

# সোণাৰ টুকৰা ল'ৰা



**যুগান্ত দাস,ভৱানীপুৰ,বজালী**

হঠাৎ শুভঙ্কৰক দেখিলো- যি আমাৰ ঘৰটো কিনিছে, এইফালেই আহিছে, লগত তাৰ ঘৈণীয়েক ৰমা। মন্দিৰত পূজা দিব নিশ্চয়। পত্নীয়ে সিহঁতক দেখি দৌৰি গৈ শুভঙ্কৰৰ হাতত ধৰি চিঞৰি চিঞৰি কান্দিব ধৰিলে। গোটেই ঘটনাটো শুনি সি খঙত আমাৰ ল'ৰাক ফোন কৰিবলৈ চেষ্টা কৰিলে, কিন্তু প্ৰতিবাৰেই চুইচ অফ পায়। শুভঙ্কৰ আমাৰ ল'ৰাৰ সহপাঠী- সেই সূত্ৰেই ঘৰটোও বহুত কম দামত বিক্ৰি কৰিছিলোঁ।

শুভঙ্কৰৰ ঘৈণীয়েকে ক'লে, " আপোনালোকৰ ল'ৰা পলাইছে তাতে কি হ'ল, আমিতো আছোঁ। ঘৰ আমি কিনিছো ঠিকেই, আচলতে সেইটোতো আপোনালোকৰেই ঘৰ। আপোনালোক আমাৰ লগতেই থাকিব।" পূজাৰ শেষত সিহঁতৰ গাড়ীতেই আমিও এৰি যোৱা ঘৰলৈ উভতিলোঁ। মন্দিৰৰ পৰা ওলাই অহাৰ সময়ত পুৰোহিতে কৈছিল, "যদি কেতিয়াবা কোনো প্ৰয়োজন হয়, তেনেহ'লে নিৰ্দ্ধিধাই গুচি আহিব। মই যথাসম্ভৱ চেষ্টা কৰিম সহায় কৰিবলৈ।"

ঘৰলৈ আহি দেখিলো, আমাৰ শোৱনি কোঠাটো একে ধৰণে আছে- একো সালসলনি হোৱা নাই। আমাৰ শোৱনিকোঠাতেই থকাৰ ব্যৱস্থা কৰা হ'ল। অলপ হ'লেও মনত শান্তি পালোঁ। শুভঙ্কৰে ক'লে, " কালি আপোনালোক ওলাই যোৱাৰ পাছতেই আমি প্ৰৱেশ কৰিছোঁ। সেয়ে বস্তু -বাহানি বৰ এটা সাল-সলনি কৰাৰ সময় পোৱা নাই। ইয়াতে আপোনালোকে নিজৰ ঘৰ বুলি ভাবি থাকক।" কিছুদিন পিছত পত্নী নতুন উদ্যমেৰে ৰন্ধাৰ কামত লাগিল। মইও ৰাতিপুৱা আগৰ দৰে বজাৰ কৰিবলৈ ওলাই যাওঁ। আগতে আমাৰ এজন ঠিকাত কাম কৰা মাহী আছিল, শুভঙ্কৰে সেই কথা কলে। সি ক'লে, "ঘৰটো কিনোতে বহু টকা খৰচ হৈ গ'ল, সেয়ে এতিয়া মাহীৰ কথা ভাবিব পৰা নাই, পিছত দেখা যাব।" অলপ ৰৈ আকৌ ক'লে, "আপুনিতো বহিয়ে থাকে, সৰুসুৰা কামবোৰ নিজৰ বুলি ভাবি কৰিলেই হ'ল। "

এতিয়া পত্নীয়ে ৰন্ধা বঢ়াৰ উপৰিও ঘৰ মোছা, বাচন ধোৱা, কাপোৰ ধোৱা- সকলো কৰে। আৰু মই বজাৰ কৰা, বাগিছা চাফা কৰা গাড়ী ধোৱা সকলো কৰোঁ। গোটেই দিনটো আৰু একো কামেই নাই, সেয়ে এইবিলাক কৰোতে অসুবিধা হোৱা নাই ।

আজি ৰাতিপুৱাই ৰমাই কৈছিল সন্দেশ আনিবলৈ, পূজা কৰিব। মই চুবুৰীৰ দোকানলৈ গ'লোঁ সন্দেশ কিনিবলৈ। দোকানৰ মালিকে মোক দেখি ক'লে, "দাদা আপোনাৰ সকলো কথাই মই শুনিছোঁ, ভাবিছিলো এবাৰ দেখা কৰিম। আপুনি আহিছে ভালেই হ'ল।" মই জানিব বিচাৰিলো "কিবা ক'বা?" সি ক'লে, "মই শুভঙ্কৰক মোবাইলত আপোনাৰ ল'ৰাৰ লগত কথা পতা শুনিছোঁ। সি আপোনাৰ ল'ৰাক ধন্যাবাদ দিছিল বিনা পইচাত দুজন কাম কৰা মানুহ জোগাৰ কৰি দিয়াৰ বাবে। সেয়ে আপুনি অলপ ভাবি-চিন্তি চলিব।" কথাটো শুনি শৰীৰটো কিবা যেন ৰাই জাঁই কৰি উঠিল। সন্দেশ নিকিনাকৈ উভতি আহিলোঁ। পত্নীক ক'লোঁ প্ৰয়োজনীয় বস্তু বাহানি সামৰা- সিহঁত অহাৰ আগতেই ওলাই যাব লাগিব। বজাৰৰ টকা লগতেই আছিল, বাছত উঠি চিধা সেই মন্দিৰলৈ গুচি আহিলোঁ। পুৰোহিতৰ দয়াত মন্দিৰত থকাৰ ব্যৱস্থা হ'ল, আৰু আমি দুয়োজনে মন্দিৰৰ কামত জড়িত হৈ পৰিলোঁ। এতিয়া পুৱা-গধূলি ওপৰৱালাৰ ওচৰত ল'ৰাৰ উন্নতিৰ কাৰণে প্ৰাৰ্থনা কৰোঁ। আৰু মাজে মাজে তললৈ নামি, য'ত আমাৰ ল'ৰাই গাড়ী লৈ অপেক্ষা কৰাৰ কথা আছিল, তালৈ আহি চাওঁ -- গাড়ীখন আহিল নে নাই। মনে কয় ল'ৰা এদিন আহিব। আমাক এৰি সি বেছিদিন থাকিব নোৱাৰে।

জনতাৰ চৰকাৰ | my GOV মেৰী सरकार | অসম চৰকাৰ

JANASANYOG- 828/25/29-June-25



# সবল মহিলা সবল সমাজ

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

- উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী অৰ্হতাসম্পন্ন মহিলালৈ প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ যোগেদি

₹ ১০,০০০ টকাৰ উদ্যমিতা পুঁজি



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সামৰি লোৱা মুঠ মহিলা উদ্যমী প্ৰায় ৩০ লাখ

উদ্যমিতাৰ সম্ভাব্য ক্ষেত্ৰসমূহ: কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্প ইত্যাদি

সৰ্বমুঠ পুঁজি ৩০০০ কোটি টকা

অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত বৰ্ষৰ ১ এপ্ৰিল তাৰিখে বিহালী সমষ্টিত আনুষ্ঠানিকভাৱে এই অভিযানৰ শুভাৰম্ভণি কৰে

## সমষ্টি অনুসৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ সূচী

| ক্ৰমিক নং | বিধান সভা সমষ্টিৰ নং আৰু নাম | মাহ |
|---|---|---|
| ১ | ৩৯ নং নলবাৰী | আগষ্ট ২০২৫ |
| ২ | ৫২ নং জাগীৰোড | |
| ৩ | ১২৫ নং পাথাৰকান্দি | |
| ৪ | ৮৩ নং মাৰ্ঘেৰিটা | |
| ৫ | ৮ নং ধুবুৰী | |
| ৬ | ১১৮ নং শিলচৰ | ছেপ্টেম্বৰ ২০২৫ |
| ৭ | ১১৪ নং লক্ষীপুৰ | |
| ৮ | ৩৭ নং জালুকবাৰী | |
| ৯ | ৬৩ নং হোজাই | |
| ১০ | ৬৫ নং ঢেকিয়াজুলি | |
| ১১ | ৭০ নং বিশ্বনাথ | |
| ১২ | ৮০ নং জোনাই | |
| ১৩ | ৮৬ নং তিনিচুকীয়া | |
| ১৪ | ১১১ নং ৰংখাং | |
| ১৫ | ৫৩ নং লাহৰিঘাট | |
| ১৬ | ৭ নং গৌৰীপুৰ | |
| ১৭ | ১১ নং মানকাচৰ | |
| ১৮ | ৩৪ নং ডিমৰীয়া | অক্টোবৰ ২০২৫ |
| ১৯ | ৩৫ নং নিউ গুৱাহাটী | |
| ২০ | ১২১ নং হাইলাকান্দি | |
| ২১ | ১২৬ নং আৰ কে নগৰ | |
| ২২ | ২৮ নং বকো-ছয়গাঁও | |
| ২৩ | ৩১ নং ৰঙিয়া | |
| ২৪ | ৩২ নং কমলপুৰ | |
| ২৫ | ১৮ নং বঙাইগাঁও | |
| ২৬ | ৫৪ নং মৰিগাঁও | |
| ২৭ | ৫৭ নং কলিয়াবৰ | |
| ২৮ | ৫৯ নং বঢ়মপুৰ | |
| ২৯ | ৬০ নং নগাঁও-বটদ্ৰৱা | |
| ৩০ | ৬১ নং ৰহা | |
| ৩১ | ৬৪ নং লামডিং | |
| ৩২ | ৬৯ নং নদুৱাৰ | |
| ৩৩ | ৮১ নং শদিয়া | |
| ৩৪ | ৮২ নং ডুমডুমা | |
| ৩৫ | ৮৭ নং চাবুৱা-লাহোৱাল | |
| ৩৬ | ৮৮ নং ডিব্ৰুগড় | |
| ৩৭ | ১২ নং জলেশ্বৰ | |
| ৩৮ | ২৫ নং পাকাবেটবাৰী | |
| ৩৯ | ২৭ নং চমৰীয়া | |
| ৪০ | ৫৫ নং ধিং | |
| ৪১ | ৯ নং বীৰছিং জাৰুৱা | |
| ৪২ | ১০৪ নং দেৰগাঁও | নৱেম্বৰ ২০২৫ |
| ৪৩ | ১০৫ নং বোকাখাত | |
| ৪৪ | ১০৭ নং সৰুপথাৰ | |
| ৪৫ | ১০৩ নং গোলাঘাট | |
| ৪৬ | ১০৮ নং বোকাজান | |
| ৪৭ | ১০৯ নং হাওৰাঘাট | |
| ৪৮ | ১১৩ নং হাফলং | |
| ৪৯ | ১১৫ নং উধাৰবন্দ | |
| ৫০ | ১২০ নং ধলাই | |
| ৫১ | ২৬ নং বজালী | |
| ৫২ | ৪০ নং টিহু | |
| ৫৩ | ৪৯ নং ছিপাঝাৰ | |
| ৫৪ | ৫০ নং মঙলদৈ | |
| ৫৫ | ৬৬ নং বৰছলা | |
| ৫৬ | ৬৮ নং ৰঙাপৰা | |
| ৫৭ | ৭২ নং গহপুৰ | |
| ৫৮ | ৩৬ নং গুৱাহাটী (কেন্দ্ৰীয়) | |
| ৫৯ | ৬ নং গোলকগঞ্জ | |
| ৬০ | ৭৭ নং ঢকুৱাখনা | |
| ৬১ | ৭৮ নং ধেমাজি | |
| ৬২ | ৭৯ নং চিচিবৰগাঁও | |
| ৬৩ | ৮৫ নং মাকুম | |
| ৬৪ | ৯০ নং দুলীয়াজান | |
| ৬৫ | ১ নং গোসাঁইগাঁও | |
| ৬৬ | ১৭ নং সৃজনগ্ৰাম | |
| ৬৭ | ২২ নং মান্দিয়া | |
| ৬৮ | ৬২ নং বিন্নাকান্দি | |
| ৬৯ | ৫৮ নং চামগুৰি | |
| ৭০ | ১০৬ নং খুমটাই | ডিচেম্বৰ ২০২৫ |
| ৭১ | ১১৬ নং কাটিগড়া | |
| ৭২ | ১১৭ নং বৰখলা | |
| ৭৩ | ১৩ নং পশ্চিম গোৱালপাৰা | |
| ৭৪ | ১৫ নং দুধনৈ | |
| ৭৫ | ১৬ নং অভয়াপুৰী | |
| ৭৬ | ২০ নং বিজনী | |
| ৭৭ | ২১ নং ভৱানীপুৰ-সৰভোগ | |
| ৭৮ | ২৪ নং বৰপেটা | |
| ৭৯ | ৩৩ নং দিছপুৰ | |
| ৮০ | ৩৮ নং বৰক্ষেত্ৰী | |
| ৮১ | ৪১ নং মানস | |
| ৮২ | ৪৩ নং তামুলপুৰ | |
| ৮৩ | ৪৪ নং গোৰেশ্বৰ | |
| ৮৪ | ৪৫ নং ভেৰগাঁও | ডিচেম্বৰ ২০২৫ |
| ৮৫ | ৪৭ নং মাজবাট | |
| ৮৬ | ৪৮ নং টংলা | |
| ৮৭ | ৬৭ নং তেজপুৰ | |
| ৮৮ | ৭৩ নং বিহপুৰীয়া | |
| ৮৯ | ৭৬ নং লখিমপুৰ | |
| ৯০ | ৯১ নং টিংখাং | |
| ৯১ | ৯৮ নং মাজুলী | |
| ৯২ | ১০০ নং যোৰহাট | |
| ৯৩ | ১০১ নং মৰিয়নি | |
| ৯৪ | ১২৪ নং দক্ষিণ কৰিমগঞ্জ | |
| ৯৫ | ২৩ নং চেঙা | |
| ৯৬ | ৫৬ নং ৰূপহীহাট | |
| ৯৭ | ১১৯ নং সোণাই | |
| ৯৮ | ১০২ নং তিতাবৰ | জানুৱাৰী ২০২৬ |
| ৯৯ | ৯৯ নং টীয়ক | |
| ১০০ | ৯৩ নং সোণাৰি | |
| ১০১ | ৯৪ নং মাহমৰা | |
| ১০২ | ৯৫ নং ডিমৌ | |
| ১০৩ | ৯৬ নং শিৱসাগৰ | |
| ১০৪ | ৯৭ নং নাজিৰা | |
| ১০৫ | ৮৯ নং খোৱাং | |
| ১০৬ | ৯২ নং নাহৰকটীয়া | |
| ১০৭ | ৮৪ নং ডিগবৈ | |
| ১০৮ | ৭৪ নং ৰঙানদী | |
| ১০৯ | ৭৫ নং নাওবৈচা | |
| ১১০ | ৪২ নং বাক্সা | |
| ১১১ | ৪৬ নং ওদালগুৰি | |
| ১১২ | ১৯ নং ছিদলী-চিৰাং | |
| ১১৩ | ৪ নং বাওখুংগ্ৰী | |
| ১১৪ | ২ নং দতমা | |
| ১১৫ | ১১০ নং ডিফু | |
| ১১৬ | ১১২ নং আম্ৰী | |
| ১১৭ | ৩০ নং হাজো-শুৱালকুছি | |
| ১১৮ | ১২৩ নং উত্তৰ কৰিমগঞ্জ | |
| ১১৯ | ২৯ নং পলাশবাৰী | |
| ১২০ | ১০ নং বিলাসীপাৰা | |
| ১২১ | ৩ নং কোকৰাঝাৰ | |
| ১২২ | ৫ নং পৰ্বতঝৰা | |
| ১২৩ | ১৪ নং পুব গোৱালপাৰা | |
| ১২৪ | ১২২ নং আলগাপুৰ-কাটলিচেৰা | |
| ১২৫ | ৫১ নং দলগাঁও | |

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# হতাশাগ্ৰস্থ সমাজখনক পুনৰুদ্ধাৰ

পঞ্চম শ্ৰেণীত পঢ়ি থকা ল'ৰাজনে এনে এটা মাৰাত্মক কাণ্ড কৰি আছে। দুবছৰমান আগতে গম পাইছিলো নৱম শ্ৰেণীত পঢ়ি থকা ছাত্ৰী এগৰাকীয়ে দেউতাকে তেওঁ বিচৰা মতে চেম্পুৰ বটল যোগান ধৰিব নোৱাৰা বাবেই হঠাতে আত্মহত্যাৰ পথ বাচি লৈছিল। বিগত তিনি, চাৰিটা বছৰৰ কথা যদি আমি বাদেই দিওঁ, আৰু এই চলিত বছৰটোৰ আৰম্ভণিৰ পৰাই যদি আমি চাওঁ তেন্তে দেখিবলৈ পাম যে প্ৰতিটো দিনতে আত্মহননৰ দুই তিনিটাকৈ ঘটনা সংবাদ মাধ্যমৰ যোগেদি প্ৰকাশ পাই আছে। অপ্ৰকাশিত ৰূপত হয়তো বহু ঘটনাই এন্ধাৰৰ মাজত থাকি গৈছে। জীৱনটো ইমান সুন্দৰ তথাপিও জীৱনৰ এই সুন্দৰতা খিনিভোগ কৰাৰ বিপৰীতে এই কম বয়সৰ মানুহবোৰে এনে কঠোৰ সিদ্ধান্ত কিয় গ্ৰহণ কৰে। কেৱল সেয়াই নহয় আমাৰ সমাজখনত কাজিয়া পেচাল, মাৰপিট আদিৰ ঘটনাও ভয়াবহ গতিত বৃদ্ধি পাইছে। বহু সংখ্যক মানুহৰ যেন নিজৰ ভিতৰৰ বোধ শক্তি অথবা বিবেচনা কৰা শক্তিটো বহু পৰিমাণে কমি গৈছে অথবা নোহোৱা হৈ গৈছে বুলি কলেও ভুল কোৱা নহব। সামান্য কথাতে মতৰ অমিল হলেও সেয়া বুজা পৰাৰ মাজেৰে সমাধান নহয়। কাজিয়া পেচাল, মাৰপিট কৰিলেহে যেন একোটা উপায় উলিয়াব পৰা যায়। কিন্তু এনেকৈয়ে এটা সমস্যাৰ পৰা নতুনকৈ আন এটা সমস্যাৰ সৃষ্টি হয় সেই কথালৈ এচাম মানুহে কোনো চিন্তাই নকৰে। যিখন সমাজত মানুহে আগতে পোকপৰুৱা এটা মাৰিবলৈ চিন্তা কৰিছিল সেইখন সমাজত আজি এশটকাৰ বাবে মানুহ হত্যা কৰা হয়, এটা টিফিনৰ বাবে মানুহ হত্যা কৰা হয়। আন কথা বাদেই দিছোঁ জন্ম দিয়া পিতৃ মাতৃক মানুহে সাধাৰণ একোটা কথাতে মতৰ অমিল হলেই ৰাজপথত এৰি থৈ আহিবলৈ 'কোনো সংকোচ বোধ নকৰে, নিজৰ পত্নী গৰাকীক নিষ্ঠুৰ ভাৱে হত্যা কৰিবলৈ তেওঁলোকৰ অকণো হাত নকঁপে, নিজৰ প্ৰেমিকাগৰাকীক কোনো কথাত মতৰ অমিল হ'লৈই হানি খুচি মাৰিবলৈ অকণো সংকোচবোধ নকৰে, গাত এছিড ছটিয়াই চিৰঘৃণীয়া কৰি থৈ আহিবলৈ অকণো সংকোচ বোধ নকৰে। বিগত তিনি চাৰিবছৰৰ ভিতৰত এনেধৰণৰ অলেখ ঘটনা ঘটি গৈছে। বিগত দুই তিনি বছৰৰ ভিতৰত আমাৰ ৰাজ্যত বিভিন্ন শিক্ষা প্ৰতিষ্ঠানত ৰেগিঙৰ আলম লৈ বহু ডাঙৰ ডাঙৰ ঘটনা ঘটি গ'ল। বহু সপোন লৈ একোখন শিক্ষানুষ্ঠানত অধ্যয়ন কৰিম বুলি অহা ছাত্ৰ-ছাত্ৰীয়ে উভতি যাবলগীয়া হ'ল ৰেগিঙৰ নামত হোৱা উৎপীড়ণ সহ্য কৰিব নোৱাৰি। কোনোবা ছাত্ৰই ৰেগিঙৰ নামত হোৱা উৎপীড়ণত মৃত্যুমুখত পৰিবলগীয়া হ'ল। এনেধৰণৰ বিপথগামী কাৰ্য্য-কলাপত সমাজৰ বহুলোক জড়িত হৈ পৰিছে কিন্তু ইয়াৰ মাজতো যুৱ সমাজৰ মাজত এনে উশৃংখল কাৰ্য্যকলাপ বহু পৰিমাণে বৃদ্ধি পাবলৈ লৈছে। বহুসময়ত দেখা পোৱা যায় যে যান্ত্ৰিকতাময় জীৱনেও কেতিয়াবা মানুহক নকৰিবলীয়া বহুতো কাম কৰিবলৈ আগ্ৰহী কৰি তোলে। যান্ত্ৰিকতাময় সমাজখনত প্ৰত্যেকেই নিজক লৈয়েই ব্যস্ত আৰু সেইবাবে কোনেও আনৰ সুখ, দুখ জীৱনত আহি পৰা সমস্যাৰ ক্ষেত্ৰত আনক সময় দিবলৈ, আনৰ অসুবিধাখিনিৰ কথা জানি বুজি তেওঁলোকক এটা মতামত দিবলৈ, সহযোগিতা আগবঢ়াবলৈ মুঠেই আগ্ৰহী নহয় আৰু এনেকুৱা সময়ত বহু সংখ্যক মানুহে হতাশাত ভুগিবলৈ লয়। আমাৰ সমাজত এতিয়া সামাজিকীকৰণ প্ৰক্ৰিয়াটোৰ যথেষ্ট অভাৱ হোৱা দেখা গৈছে।

যান্ত্ৰিক সমাজৰ ব্যৱস্থাত টকা- পইচা বহুতৰে আছে, কিন্তু মানুহক দিনটোৰ ভিতৰত মাতষাৰ দিবলৈ সময়ৰ যথেষ্ট অভাৱ। সুখৰ, দুখৰ সময়ত ওচৰলৈ গৈ মাতষাৰ দিবলৈ সময় নাই। এনেবোৰ অৱস্থাৰ কাৰণে এটা সময়ত মানুহে বৰ অকলশৰীয়া অনুভৱ কৰে আৰু তেতিয়াই তেওঁলোকৰ মনলৈ হতাশাৰ ভাৱ আহে। সেইবাবেই মানুহে এনে অৱস্থাত হতাশা, বিফলতা আদি আৰ্হি লয় নকৰিবলগীয়া বিভিন্ন ধৰণৰ কাম কৰে।

দৰাচলতে আমাৰ সমাজখনক সুশৃংখলিতভাৱে আগবঢ়াই লৈ যাবলৈ সামাজিকীকৰণ প্ৰক্ৰিয়াটো সুন্দৰ ভাৱে হ'ব লাগে। পৰিয়ালৰ ইজনে সিজনক সময় দিয়া, আত্মীয় সকলৰ সৈতে আহ-যাহ, কথা বাৰ্তা, টেলিফোনৰ যোগাযোগ, বন্ধু অথবা মনে মিলা মানুহৰ সৈতে কথা বতৰা হোৱা আদি কথাবোৰ বৰ প্ৰয়োজনীয় হৈ পৰিছে আমাৰ সমাজ ব্যৱস্থাত। এই সামাজিক সম্পৰ্কটো আমাৰ সমাজ ব্যৱস্থাত সুন্দৰ হৈ থাকিলে মানুহৰ মনলৈ সহজে হতাশা, নিৰাশাৰ ভাৱটো নাহে কাৰণ কোনোবাই এনে সমস্যাত জৰ্জৰিত হ'লেও নিজৰ মনৰ কথা, সম্যাসৰ কথা ইজন সিজনৰ লগত ভাৱ বিনিময় কৰিব পাৰে। সেইবাবে প্ৰতিটো পৰিয়ালত পিতৃ-মাতৃ অথবা অন্যান্য সকলেও এই কথাটোত যথেষ্ট গুৰুত্ব দিব লাগে। ব্যক্তিসকলেও নিজে সমাজৰ এটা অংশ বুলি সমাজৰ লগত মিলিজুলি আগবাঢ়ি যাবলৈ চেষ্টা কৰিব। ইয়াৰ লগে লগে প্ৰত্যেকেই নিজৰ মাজত থকা হবি অথবা অভিৰুচিটোক নিজে বিচাৰি উলিয়াই উপযুক্তভাৱে প্ৰতিপালন কৰিব লাগে। নিজৰ অভিৰুচিটোক সুন্দৰভাৱে চলাই লৈ গ'লে মানুহৰ আজৰি সময়ৰো সঠিক ব্যৱহাৰ হ'ব আৰু কোনোধৰণৰ বেয়া চিন্তা- চৰ্চা মানুহৰ মনলৈ নাহিব। আজিৰ যান্ত্ৰিক পৃথিৱীখনত মানুহৰ প্ৰত্যেকৰে নিজস্ব এটা বা দুটা হ'লেও অভিৰুচি থাকিব লাগে। গতিকে আমি সকলোৱে জানোঁ যে আমাৰ নিজৰ ঘৰখনেই আদৰ্শৰ কঠীয়াতলী। গতিকে প্ৰতিটো পৰিয়ালত পিতৃ-মাতৃ, অভিভাৱক সকলে সন্তানৰ এই দিশবোৰৰ বিকাশৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব লাগে। শৈশৱ, কৈশোৰৰ সময়ছোৱাতে ল'ৰা-ছোৱালীক সমাজৰ সতে অৰ্থাৎ প্ৰতিবেশী, আত্মীয়, বন্ধু-বান্ধৱী সকলৰ সৈতে মিলিজুলি চলিবলৈ শিকাব লাগে। যান্ত্ৰিকতাময় সমাজখনত আমি সকলোৱে বিভিন্ন ধৰণৰ সমস্যাৰ মুখামুখি হ'ব পাৰোঁ কিন্তু সেইসময়ত আমি আমাৰ সমস্যা খিনিৰ সমাধান পাবলৈ পৰিয়াল, পৰিজন, বন্ধু বান্ধৱৰ সৈতে মুকলিকৈ আলোচনা কৰিব লাগে। এনে কৰিলে আমি মনত লৈ থকা গধুৰ বেদনাতো বহু পৰিমাণে কমি যোৱা দেখা যায়। ব্যক্তি এগৰাকী তেওঁ যুৱকেই হওঁক, কিশোৰেই হওঁক অথবা প্ৰাপ্তবয়স্কই হওঁক তেওঁ যিহেতু সমাজৰে অংশ গতিকে তেওঁৰ কাৰ্য্যকলাপত কিবা বিশৃংখলতা দেখিলে, তেওঁ কিবা সমস্যাত পৰি হতাশাত ভুগিলে তেওঁলোকক সঠিক পথলৈ ঘূৰাই অনাৰ দায়িত্ব সমগ্ৰ সমাজখনৰে থাকে।

# সুন্দৰৰ পূজাৰী নাৰী



যমুনা দুলু বৈশ্য, শুৱালকুছি

নাৰী মানে এটা শক্তি
সাহসৰ এটা সত্তা
নাৰী মানে এখন আকাশ
এটা আশ্ৰয়ৰ ধুনীয়া মন..।।
নদী হৈ সাগৰলৈ বয়
উদাৰতাৰে এখন হিয়াৰ পৰা
এখন হৃদয়লৈ নিৰবে
বৈ থাকে মাথো অবিৰাম...।।
অকৃত্ৰিম ভালপোৱা বোৱাই
এক অংশ ঈশ্বৰৰ চেতনাৰে
য'ত আছে সত্যতা
সুন্দৰৰ পূজাৰী হৈ...।।
স্নেহ উপচাই অসুন্দৰতাকো
কৰে সুন্দৰতাৰে বহল দৃষ্টিৰে
ধৰি ৰাখে...!
আকাশৰ পৰা মাটি চুমি,
স্পৰ্শ কৰে শব্দৰ স'তে মিলিবলৈ ।

# অতীতে ৰিঙিয়াই




মমী বৈশ্য, শুৱালকুছি

এবাৰো উভতি চোৱা নাছিলো
তথাপি এনেকুৱা কিয় হয়
অতীতে ৰিঙিয়াই
মাজবাটত এৰি খোজ দিছো বৰ্তমানেও
কিন্তু মিতিৰালি দুয়ো কালৰ
হৃদয়ৰ গোপন কোঠাত টুকুৰিয়াই
অতীতে মোক সঘনে ৰিঙিয়াই
পাখি লগা ঘোঁৰাত চেঁকুৰী উজাই গ'লো
অতীতে কিয় বাৰু মাতে
আজিও ৰিঙিয়াই ।।

# মীৰা বৰঠাকুৰৰ বিৰুদ্ধে মানহানি

মহামৃত্যুঞ্জয় ধামৰ পৰা মই ধন সংগ্ৰহ কৰোঁ। মই ভাবোঁ, এয়া বৰ নিকৃষ্ট কথা। এগৰাকী মহিলা হৈ আন এগৰাকী মহিলাক এনেধৰণৰ মন্তব্য কৰাটো দুৰ্ভাগ্যজনক। ৰাজনৈতিক ক্ষেত্ৰত থকা হেতুকে তেওঁলোকে আমাৰ নাম লৈ বহু কথা কৈ থাকে। সেইবোৰৰ প্ৰতি মোৰ ক'বলগীয়া একো নাই। কিন্তু শেহতীয়াকৈ তেওঁ যি ভাষাৰে এই বক্তব্য প্ৰকাশ কৰিলে যে মই মা কামাখ্যা দেৱালয় আৰু মহামৃত্যুঞ্জয় ধামৰ পৰা ধন সংগ্ৰহ কৰোঁ, এয়া অতি নিকৃষ্ট ৰাজনৈতিক কথা। এই বক্তব্য অসমীয়া সমাজত কেতিয়াও গ্ৰহণযোগ্য নহয়। এগৰাকী অসমীয়া নাৰী হিচাপে এই বক্তব্যৰ বিৰুদ্ধে মই সেয়েহে আদালতৰ ওচৰ চাপিছোঁ। মই যদি এনেদৰে ধন সংগ্ৰহ কৰিছোঁ বুলি তেওঁ দাবী কৰে, তাক প্ৰমাণ কৰক। মীৰা বৰঠাকুৰ গোস্বামীৰ এই বক্তব্যৰ বাবে মই শেষ পৰ্যন্ত আদালতত যুঁজ দিম।

# অৱশেষত মাৰ্কিন বিশেষজ্ঞৰ

গুৰুত্বপূৰ্ণ অভিযান চলাইছিল। অতি নিখুঁতভাৱে অভিযান চলোৱা দলটোৱে বিঅ'পিটো নিৰাপদে স্থানান্তৰ কৰাৰ পাছত ষ্টেজিং এৰিয়াত প্ৰস্তুত কৰা কেপিং ষ্টেকটো সাৱধানে আৰু সঠিকভাৱে বেলহেডত থোৱাৰ পাছতে কেপিং ষ্টেকটো সুদৃঢ় আৰু সুৰক্ষিতভাৱে স্থাপন কৰাৰ লগে লগে বিঅ'পিটো (ব্লু আউট প্ৰিভেন্টৰ) সফলতাৰে বন্ধ কৰা হয়। বি অ' পিটো বন্ধ কৰাৰ পাছতে তৈল খাদটোৰ শ্বাসৰুদ্ধ গেছ নিৰ্গমন বন্ধহৈ পৰে। সফলতাৰে অ' এন জি চিয়ে ৱেল কেপিং পদ্ধতিৰে গেছ নিয়ন্ত্ৰণ ৰোধ কৰিবলৈ সক্ষম হোৱাৰ পাছত ভটীয়াপাৰবাসী ৰাইজৰ মাজত শংকা দূৰ হ'ল। আনহাতে, বিঅ'পিটো স্থাপন কৰাৰ পাছত তৈলখাদটোত পুনৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ কোনো আশংকা নাই যদিও অ' এন জি চি কৰ্তৃপক্ষই আৰু ২৪ ঘণ্টাৰ বাবে এই তৈলখাদটো নিৰীক্ষণত ৰাখিব বুলি জানিব পৰা গৈছে। লগতে জিলা প্ৰশাসনৰ সৈতে চৰজমিন তদন্ত কৰি শীঘ্ৰে ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত ৰাইজক উপযুক্ত ক্ষতিপূৰণ দিবলৈ অ' এন জি চিৰ প্ৰশাসনিক বিভাগে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। অঞ্চলটোৰ ৰাইজৰ মাজত দেখা দিয়া বিভিন্ন ৰোগৰ প্ৰতি লক্ষ্য ৰাখি অ' এন জি চি আৰু জিলা স্বাস্থ্য বিভাগে বিনামূলীয়া চিকিৎসা সেৱা শিবিৰসমূহ চলাই যাব বুলিও জানিব পৰা গৈছে। উল্লেখ্য যে অ' এন জি চিৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ অন্তৰ্গত ভটীয়াপাৰ বাৰীচুকৰ তৈলখাদ আৰ ডি এছ ১৪৭ (এ) নং-১ এছ কে পেট্ৰ'ৰ ১৩৫ ভি আইৰ ৰৰ্ক অ'ভাৰ ৰিগটোত যোৱা ১২ জুনত সংঘটিত হৈছিল বিস্ফোৰণৰ ঘটনা। তাৰ পিছত ২০ জুনত শিৱসাগৰত উপস্থিত হয় আমেৰিকাৰ কাৰিকৰী বিশেষজ্ঞৰ এটা দল ।

# গৌৰীপুৰত নিৰ্মীয়মাণ ট্ৰাম্পেট

হৈছে। এই দলংখন সম্পূৰ্ণ হৈ উঠিলে প্ৰথম পৰ্যায়ত যান-বাহনসমূহ জিএনআৰচি আৰু আইআইটি হৈ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰৱেশ কৰিব লাগিব। কিয়নো তেতিয়ালৈকে গৌৰীপুৰত ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মাণকাৰ্য চলাই থকা ট্ৰাম্পেট জংচনৰ কাম সম্পূৰ্ণ হৈ নুঠিব। তেওঁ কয় যে ট্ৰাম্পেট জংচনৰ নিৰ্মাণকাৰ্য অহা মে'-জুন মাহত সম্পূৰ্ণ হ'ব। গৌৰীপুৰৰ ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মাণ চলাই থকা ট্ৰাম্পেট জংচনটো সম্পূৰ্ণ হৈ উঠাৰ পিছত দ্বিতীয় পৰ্যায়ত পোনপটীয়াকৈ গৌৰীপুৰ হৈ নতুন দলঙেৰে গুৱাহাটীলৈ যাতায়াত ব্যৱস্থা মুকলি হ'ব। তদুপৰি কয় যে নৰেঙ্গৰ মাহত দলংখনেৰে খোজকাঢ়ি যাব পৰা ব্যৱস্থা হৈ যাব। ইপিনে বাইহাটাত নিৰ্মিত উৰুণ সেতুখন ২০ জুলাই বা জুলাইৰ শেষ সপ্তাহত মুকলি কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। এই পৰিদৰ্শনৰ সময়ত লোকনিৰ্মাণ (পথ) বিভাগৰ বিশেষ আয়ুক্ত সচিব বিভূতি শইকীয়া, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্প (ইএপি)ৰ মুখ্য অভিযন্তা প্ৰমুখ্যে লোকনিৰ্মাণ (পথ) বিভাগৰ অভিযন্তা, নিৰ্মাণ প্ৰতিষ্ঠানৰ অভিযন্তা আৰু কাৰিকৰী বিশেষজ্ঞ সকল উপস্থিত থাকে।

# হাচিলা বিল পৰিদৰ্শন মুখ্যমন্ত্ৰী

গতিকে আমি হাহিলা বিল বুলিয়ে ক'ম এতিয়াৰে পৰা। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে হাচিলা বিল, উৰপদ বিলক বনাঞ্চললৈ ৰূপান্তৰৰ বাবে প্ৰাৰম্ভিক কাম আৰম্ভ কৰিছোঁ। চৰকাৰে জলাশয়ৰ কিছু অংশ ইক' ট্যুৰিজমৰ স্থলী হিচাপে গঢ়ি তোলাৰ বাবে গুৰুত্বপূৰ্ণ আঁচনি প্ৰস্তুত কৰিব। একে সময়তে ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহক প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে সংৰক্ষণ কৰাৰো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। প্ৰাকৃতিক পাৰিপাৰ্শ্বিকতা অটুট ৰখাৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলাৰ উৰপদ বিল, কুমৰী বিল আৰু হাচিলা বিল এই তিনিওখন বিলক ৩ মাহৰ ভিতৰত ৰাইজৰ মতামত লৈ বনাঞ্চল কৰিম। লগতে কুমৰী বিলকো বনাঞ্চল কৰিম। মুখ্যমন্ত্ৰীয়ে ২২ জুনৰ কেবিনেট অনুমোদনৰ কথা উল্লেখ কৰি কয় যে অসম বন নিগম ১৮৯১ৰ ৫নং ধাৰাত হাচিলা বিল এলেকাক সংৰক্ষিত বনাঞ্চল হিচাপে সংৰক্ষিত কৰাৰ প্ৰস্তাৱত ৰাজ্যিক কেবিনেটে অনুমোদন জনাইছে। কেবিনেটৰ বিল সংৰক্ষণ সিদ্ধান্তই জলজ পৰিৱেশতন্ত্ৰক সুৰক্ষিত কৰাৰ লগতে মীনপালনৰ জৰিয়তে স্থানীয় জনগোষ্ঠীসকলৰ উন্নয়ন আৰু বিকাশ তথা প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখাত সহায় কৰিব। আনহাতে কুমৰী বিল সন্দৰ্ভত তেওঁ কয়- বিলখনত পট্টা থকা মাটি বহুত আছে। সেই মাটিসমূহ প্ৰয়োজন সাপেক্ষে অধিগ্ৰহণ কৰা হ'ব। প্ৰকৃতি ৰক্ষাৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভ কৰিছে উচ্ছেদ। গতিকে প্ৰাকৃতিক ভাৰসাম্য বৰ্তাই ৰখাৰ বাবে চৰকাৰে উচ্ছেদ চলাবই। হাচিলা বিলত কাকো আহিবলৈ দিয়া নহ'ব। আমাৰ লক্ষ্য হ'ব হাচিলা বিলকহে সংৰক্ষণ কৰা, মানুহবোৰক নহয়। কোনোবা নেতাই ভোটৰ আশাত মানুহবোৰক বহাইছে, ৰাস্তা, বিদ্যুৎ, পানীৰ ব্যৱস্থা কৰি দিছে। গতিকে আমি মানুহখিনিক দোষাৰোপ নকৰোঁ। সাংসদ ৰকিবুল হুছেইন, বিধায়ক এ কে ৰছিদ আলম আদিৰ দৰে মানুহৰো ইটাভাতাৰ ব্যৱসায় আছে চৰকাৰী ভূমিত। চৰকাৰক উচ্ছেদৰ চেলেঞ্জ কৰাৰ আগতে বিধায়কসকলে নিজৰ ফালে এবাৰ চাই ল'ব লাগে। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে ৰাক্ষসিনী সংৰক্ষিত বনাঞ্চলত উচ্ছেদক লৈও আমাৰ বহু পৰিকল্পনা আছে। ৰাক্ষসিনীতো উচ্ছেদ হোৱাটো নিশ্চিত। যিহেতু তাত নতুনকৈ অহা বা পুৰণি মানুহো আছে, গতিকে ৩০ দিনমান সময়ৰ প্ৰয়োজন হ'ব। তাৰ পাছত ব্যৱস্থা ল'ম। প্ৰথমবাৰৰ বাবে চৰকাৰে কিছু প্ৰকৃতি সংৰক্ষণৰ চেষ্টা কৰিছে, এই চেষ্টা ধাৰাবাহিকভাৱে অব্যাহত থাকিব। ৰাইজে এনেদৰে সহায়-সহযোগিতা কৰিলে আমি গোৱালপাৰা বেদখলমুক্তৰ কাম কৰি গৈ থাকিম। আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্য সচিব ৰবি কোটা, বিশেষ মুখ্য সচিব এম কে যাদৱকে ধৰি অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# এছচিঅ'ৰ যৌথ ঘোষণা

নীতি গ্ৰহণ নকৰাৰ বাবেও আহ্বান জনায়। এক কথাত সন্ত্ৰাসবাদক লৈ দুমুখীয়া নীতি গ্ৰহণ কৰা দেশক কঠোৰ ভাষাৰে সমালোচনা কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে অস্ত্ৰ নিৰ্মূলৰ ওপৰতো গুৰুত্ব দিয়ে। পাকিস্তানৰ নাম নোলোৱাকৈ প্ৰতিৰক্ষা মন্ত্ৰী সিঙে কয় যে শান্তি আৰু সমৃদ্ধি সন্ত্ৰাসবাদৰ সৈতে সহাৱস্থান নকৰে। আমাৰ অঞ্চলটোত সম্প্ৰতি সন্ত্ৰাসবাদ বৃহৎ প্ৰত্যাহ্বান হৈ শান্তি, নিৰাপত্তা আৰু বিশ্বাস হেৰুৱাই পেলোৱাৰ দিশত আগবাঢ়িছে। মৌলবাদ, সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ শিপা বৃদ্ধি পাই থকাৰ বাবেই অঞ্চলটোত সন্ত্ৰাসবাদে প্ৰত্যাহ্বান হিচাপে থিয় দিছে। তদুপৰি পাকিস্তানক কটাক্ষ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে কিছুসংখ্যক দেশে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদক দেশীয় নীতিৰ সঁজুলি হিচাপে গঢ়ি তুলিছে আৰু সন্ত্ৰাসবাদীক আশ্ৰয় প্ৰদান কৰি লালন-পালন কৰি আছে। দেশকেইখনে ঠেক আৰু স্বাৰ্থপৰ দৃষ্টিভংগী সলনি নকৰিলে ভয়াৱহ পৰিণাম ভুগিব লাগিব। সন্ত্ৰাসবাদক লৈ দুমুখীয়া নীতি গ্ৰহণ কৰা দেশসমূহক সমালোচনাৰ বাবে এছচিঅ'ই কুণ্ঠাবোধ কৰিব নালাগে। সন্মিলনত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিজক সুৰক্ষা দিয়াতো দেশৰ অধিকাৰ আছে বুলি উল্লেখ কৰি সন্ত্ৰাসবাদৰ কেন্দ্ৰ সুৰক্ষিত নহয় বুলি নতুন দিল্লীয়ে দেখুৱাইছে বুলিও কয়। সন্ত্ৰাসবাদৰ কেন্দ্ৰত আক্ৰমণ কৰিবলৈ ভাৰতে কুণ্ঠাবোধ নকৰে বুলিও পৰোক্ষভাৱে পাকিস্তানক সকীয়াই দিয়ে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে। আনহাতে কিছুসংখ্যক দেশে সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাসবাদীক আধুনিক প্ৰযুক্তিৰ আহিলা ড্ৰোনৰ জৰিয়তে অস্ত্ৰ যোগান ধৰাকে ধৰি ড্ৰাগছ সৰবৰাহত সুবিধা দি আছে বুলি কয় সিঙে। উল্লেখ্য যে ১০ দেশীয় সদস্যৰ এছচিঅ'ত ভাৰত, চীন আৰু ৰাছিয়াকে ধৰি পাকিস্তান, বেলাৰুছ, ইৰান, কাজাখস্তান, কিৰগিস্তান, তাজিকিস্তান আৰু উজবেকিস্তান আছে। এছচিঅ'ৰ দেশসমূহৰ সৈতে ভাৰতৰ সহযোগিতা আৰু পাৰস্পৰিক বুজাবুজি সদায়ে আছে বুলি উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদৰ যিকোনো কাৰ্যক অপৰাধ আৰু অন্যায় কাৰ্য হিচাপে নিৰ্ধাৰিত কৰি ইয়াৰ বিৰুদ্ধে এছচিঅ'ই ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলিও সন্মিলনত উল্লেখ কৰে।

# ইতিহাস ৰচি

চাৰিওদিশে ঘূৰি আছোঁ। মোৰ লগত আছে ভাৰতৰ ত্ৰিৰংগ পতাকা। এই পতাকাই মোক আপোনালোকৰ সৈতে সংযোগ কৰি ৰাখিছে। দেশবাসীক ধন্যবাদ জনোৱাৰ লগতে মহাকাশচাৰী শুভাংশু শুক্লাই কয়- এই অভিযানেই শেষ নহয়। বৰঞ্চ এক নতুন যাত্ৰাৰ আৰম্ভণি। কাৰণ এই অভিযানেই ভৱিষ্যতে ভাৰতৰ গগণ যান অভিযানৰ ভিত্তি গঢ়ি তুলিব। মই ভাবোঁ পৰৱৰ্তী ভাৰতৰ এই অভিযানত সমগ্ৰ দেশবাসীয়ে অন্তৰেৰে সংযুক্ত হওক। উল্লেখ্য যে যোৱা ২৯ মে'ত অক্সিয়ম-৪ অভিযান আৰম্ভ কৰাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ সমান্তৰালকৈ ফেলকন-৯ ৰকেটত অহা বিজুতিৰ বাবেই ছবাৰকৈ এই অভিযান স্থগিত ৰাখিবলগীয়া হৈছিল। মন কৰিবলগীয়া যে অক্সিয়ম-৪ অভিযানক মিছন আকাশ গংগা হিচাপেও অভিহিত কৰা হৈছে। প্ৰায় দুসপ্তাহ ধৰি আইএছএছত বাহৰ পাতি থাকিবলগীয়া মহাকাশচাৰীৰ দলটোৱে গৱেষণাকে ধৰি বিভিন্ন বিষয়ত অধ্যয়ন চলাব। আইএছএছত মহাকাশযান ড্ৰেগন সংযুক্ত হোৱাৰ লগে লগে ভাৰতীয় গৱেষণা সংস্থা ইছৰোৱে মহাকাশ অভিযানত আন এক ইতিহাস গঢ়িব।

# বছৰত দুবাৰকৈ অনুষ্ঠিত

ছাত্ৰীসকলে নম্বৰ উন্নত কৰাৰ সুযোগ পাব। যদি কোনো ছাত্ৰৰ নম্বৰ প্ৰথম পৰ্যায়ত নম্বৰ কম হয়, তেন্তে দ্বিতীয় পৰ্যায়ত ভাল প্ৰদৰ্শন কৰি তেওঁ নম্বৰ বঢ়োৱাৰ সুযোগ লাভ কৰিব। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP 2020)ৰ পৰামৰ্শ অনুসৰি চিবিএছইৰ এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক এক নমনীয় আৰু মানসিক চাপমুক্ত পৰিৱেশ প্ৰদান কৰা যাতে তেওঁলোকে নিজৰ ভুলৰ পৰা শিক্ষা ল'ব পাৰে আৰু উন্নতি কৰিব পাৰে। ব'ৰ্ডৰ মতে এজন ছাত্ৰৰ প্ৰতিভাৰ সম্পূৰ্ণ মূল্যায়ন এটা পৰীক্ষাৰ জৰিয়তে কৰিব নোৱাৰি।

# বোকাখাতৰ চিআৰপিএফ

জোৱান সিদ্ধাৰ্থ বৰবৰা, সুশীল ভূমিজ আৰু মিন্টু হাজৰিকা বুলি জানিব পৰা গৈছে। আহত তিনিওকে বোকাখাত অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হৈছে আৰু বোকাখাত সমজিলা আৰক্ষী বিষয়াই তাৎক্ষণিকভাৱে পদক্ষেপ লৈ তদন্ত অব্যাহত ৰাখিছে। মহকুমা আৰক্ষীৰ নেতৃত্বত অভিযান অব্যাহত আছে।

## অসমৰ যুৱ কংগ্ৰেছৰ

ব্যৱস্থা। সেইকাৰণে আমি হেমকোষ অভিধান, চন্দ্ৰকান্ত অভিধান দুয়োখনে প্ৰকাশন পৰিষদৰ জৰিয়তে প্ৰকাশ কৰি প্ৰচাৰৰ দিহা কৰা হ'ব। ব্যক্তিগতভাৱে এই অভিধান দুখন বিনামূল্যে কোনেও নিদিয়ে। সেয়েহে হেমকোষ অভিধানখন চৰকাৰে প্ৰকাশ কৰি ৰাজ্যৰ বিদ্যালয়-মহাবিদ্যালয়সমূহত এটা বিনামূলীয়াকৈ কপী প্ৰদান কৰা হ'ব। কিন্তু ইয়াৰ মাজতে এটা কথা ক'ব লাগিব যে বেইল সংস্কৰণ প্ৰকাশ কৰাটো যথেষ্ট ভাল কাম হৈছে। মই নিজেই জয়ন্ত বৰুৱাক প্ৰধানমন্ত্ৰীৰ ওচৰলৈ লৈ গৈছোঁ।

## বোকাখাতৰ গ্ৰেনেড

ভবেশ কলিতা, লখিমপুৰৰ পৰা সঞ্জীৱ বৰুৱা। আনহাতে এই ঘটনাৰ সৈতে জড়িত
থকাৰ অভিযোগত জে'ল-হাজোতলৈ প্ৰেৰণ কৰিছে অংকুৰ দাসৰ দুই ভাতৃ পংকজ দাস আৰু কাকু দাসক। উল্লেখ্য যে বোকাখাতৰ অসম বেটেলিয়নৰ কেম্পটোত হোৱা গ্ৰেনেড বিস্ফোৰণৰ ঘটনাক লৈ বিভ্ৰান্তিত পৰিছে ৰাইজ। এই ঘটনাৰ সৈতে চোৰাং চিকাৰী বা ড্ৰাগছ সৰবৰাহকাৰী জড়িত নে কোনো উগ্ৰপন্থী সংগঠন জড়িত সেই লৈ আৰক্ষী এতিয়াও নিশ্চিত হ'ব পৰা নাই। ইফালে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিট সিঙে এখন সংবাদ মেল সম্বোধন কৰি ঘটনাৰ সৈতে ৬-৭জন লোক এই গ্ৰেনেড বিস্ফোৰণৰ সৈতে জড়িত আছে বুলি মন্তব্য কৰিছিল। ইতিমধ্যে গ্ৰেপ্তাৰ কৰা লোককেইজনক জে'ল-হাজোতলৈ প্ৰেৰণ কৰা হৈছে। গ্ৰেনেড বিস্ফোৰণত লিংকমেন হিচাপে থকা তেজপুৰৰ ভৱেশ কলিতাৰ পৰা এটা গ্ৰেনেড আৰু লখিমপুৰৰ সঞ্জীৱ বৰুৱাৰ পৰা এটা গ্ৰেনেডৰ লগতে এটা পিষ্টল উদ্ধাৰ কৰে। আৰক্ষী সঞ্চালকপ্ৰধানে সংবাদ মেলত ব্যক্ত কৰা চমু তথ্যৰ বাহিৰে গোলাঘাট আৰক্ষী অধীক্ষক ৰাজেন সিং, মহকুমা আৰক্ষী বিষয়া বাৰ্ডি বড়ো আৰু বোকাখাত থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিতোপন চুতীয়াই সংবাদ মাধ্যমক কোনো তথ্য অৱগত কৰা নাই। তদন্তৰ দোহাই দি আৰক্ষীয়ে কোনো তথ্য সংবাদ মাধ্যমৰ আগত ৰাজহুৱা কৰাৰ পৰা এতিয়াও বিৰত আছে।

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক

বিদ্যানন্দজীয়ে 'আচাৰ্য' উপাধি লাভ কৰিছিল। ই কেৱল সন্মানেই নাছিল, জৈন সংস্কৃতিৰ সৈতে সংযোজিত পৱিত্ৰ ধাৰা। অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰধানমন্ত্ৰী মোদীয়ে কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ সৈতে জৈন সন্ত আচাৰ্য শ্ৰী১০৮ বিদ্যানন্দজী মহাৰাজক সন্মান জনাই কেইবাটাও স্মাৰক ডাকটিকট মুকলি কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ডাকটিকট মুকলি কৰি আচাৰ্যক অকল সন্মান জনোৱাই নহয়, ইয়ে আচাৰ্যৰ জীৱন আৰু কৰ্মৰাজিক অনুকৰণীয় কৰি তুলিবলৈ সহায়ক হ'ব বুলি কয়। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী মোদী আৰু সাংস্কৃতিক মন্ত্ৰীগৰাকীয়ে 'লাইফ এণ্ড লিগেচী অৱ আচাৰ্য শ্ৰী১০৮ বিদ্যানন্দজী মহাৰাজ' শীৰ্ষক প্ৰদৰ্শনী পৰিদৰ্শন কৰে।

## জ্যেষ্ঠ আইপিএছ বিষয়া

ডেপুটেচনত আনে আৰু বিভিন্ন গুৰুত্বপূৰ্ণ কৰ্মত নিয়োজিত কৰে। ৰাষ্ট্ৰীয় চোৰাংচোৱাৰ ক্ষেত্ৰত অতি দক্ষ হিচাপে চৰকাৰৰ পছন্দৰ ব্যক্তি জ্যেষ্ঠ আইপিএছ বিষয়া পৰাগ জৈনে কানাডা আৰু শ্ৰীলংকাত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। কানাডাত থকা সময়ছোৱাত জৈনে খালিস্তানীপন্থী পৰিস্থিতিতন্ত্ৰ পোহৰলৈ আনিবলৈ সক্ষম হৈছিল আৰু খালিস্তানীপন্থীৰ ভয়াৱহতাৰ ক্ষেত্ৰত নতুন দিল্লীক অৱগত কৰিছিল। জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰ কৰাৰ পিছত উক্ত অঞ্চলত নিয়োজিত আইপিএছ বিষয়া পৰাগ জৈনে ৰ'ৰ ভিতৰত থাকি পাকিস্তান সম্পৰ্কীয় তথ্য যুগুত কৰিছিল।

## শীঘ্ৰে সম্পন্ন হ'ব

তিনি দিনৰ কাৰণে আমাৰ ৱেবছাইটত প্ৰাৰ্থীসকলৰ তালিকা প্ৰকাশ কৰা হৈছে। বাকী প্ৰাৰ্থীসকলৰ তালিকাও ৱেবছাইটযোগে প্ৰকাশ কৰা হ'ব। প্ৰধানতঃ প্ৰাৰ্থীসকলৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰসমূহ পৰীক্ষা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। এইবাৰ নেচনেল ইনষ্টিটিউট অৱ অ'পেন স্কুলিং (এনআইঅ'এছ)ৰ অধীনত ডিইএলএড লাভ কৰাসকলেও সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ সুবিধা লাভ কৰিব। উল্লেখ্য যে বিগত ২০২৩ চনৰ ২৬ ডিচেম্বৰত উক্ত ৫, ৫৫০ নিয়মীয়া শিক্ষক পদ পূৰণৰ কাৰণে প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

## ১ জুলাইৰ পৰা আৰম্ভ হ'ব

শিক্ষকৰ বাবে মুঠ ৭, ৫৮৮টা পদৰ বিপৰীতে আবেদন বিচৰা হৈছিল যদিও এই পদৰ বাবে যোগ্য আবেদনকাৰীৰ সংখ্যা হৈছে ৬, ২৩৬গৰাকী। অৰ্থাৎ ১,৩৫২টা পদ এতিয়া খালী হৈ ৰ'ব। পৰৱৰ্তী সময়ত এই পদসমূহ পূৰণ কৰিবৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিব লাগিব। স্নাতক শিক্ষকৰ ৭ হাজাৰ পদেই নহয়, ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত খালী হৈ থকা স্নাতকোত্তৰ শিক্ষকৰ ১, ৪৮৭টা পদৰ বাবে ইতিমধ্যে প্ৰাৰ্থীৰ নথি পৰীক্ষণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। কিন্তু অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ অভাৱত এই প্ৰক্ৰিয়াৰ পাছতো খালী হৈ ৰ'ব ২৩০টা পদ। এই সন্দৰ্ভতো শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে স্নাতকোত্তৰ শিক্ষক পদৰ বাবে যোগ্য প্ৰাৰ্থী লাভ কৰা হৈছে ১, ২৫৭ গৰাকী। অৰ্থাৎ কিছুমান বিষয়ৰ স্নাতকোত্তৰ শিক্ষক পদৰ বাবে এতিয়াও যোগ্য প্ৰাৰ্থী লাভ কৰা নাই। গতিকে ৰৈ যোৱা পদসমূহৰ বাবেও অচিৰেই বিজ্ঞাপন প্ৰকাশ কৰা হ'ব। উল্লেখ্য যে স্নাতক শিক্ষক আৰু স্নাতকোত্তৰ শিক্ষকৰ খালী পদৰ বিপৰীতে টেট-বাছনি পৰীক্ষা উত্তীৰ্ণ যিসকল প্ৰাৰ্থীয়ে প'ৰ্টেলৰ জৰিয়তে আবেদন জনাইছে তেওঁলোকৰ নথিপত্ৰসমূহ পৰীক্ষাৰ ক্ষেত্ৰত কোনোধৰণৰ ত্ৰুটি যাতে নৈ নাথায়, সেই বিষয়ত বিশেষ গুৰুত্ব দিছে বিদ্যালয় শিক্ষা বিভাগে। বিশেষকৈ বি-এড উত্তীৰ্ণ প্ৰমাণ-পত্ৰসমূহ গ্ৰহণযোগ্য হয় নে নহয়, সেই দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে।

## মাধ্যমিক শিক্ষা সঞ্চালকৰ

শৈক্ষিক কৰ্মচাৰীয়ে পুৱা ১০ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব আৰু বিয়লি ৪.৩০ বজা পৰ্যন্ত থাকিব লাগিব। যদিহে প্ৰয়োজন হয়, দাখিল কৰিব পৰাকৈ তেওঁলোকৰ প্ৰতিবেদন প্ৰস্তুত কৰি ৰাখিবলৈ কোৱা হৈছে। এই নিৰ্দেশনাসমূহ কঠোৰভাৱে বলৱৎ কৰাৰ ক্ষেত্ৰত বিদ্যালয়ৰ মুৰব্বীজন দায়বদ্ধ হ'ব বুলি স্পষ্ট কৰি দিছে মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজায়ে। মন কৰিবলগীয়া যে বিদ্যালয়সমূহত অনলাইন উপস্থিতিক লৈ ইতিপূৰ্বৰে পৰা শিক্ষা বিভাগ আৰু শিক্ষক সমাজৰ মাজত সংঘাত অব্যাহত আছে। উপস্থিতিৰ বাবে ইতিমধ্যে বিদ্যালয়সমূহলৈ চৰকাৰীভাৱে টেবলেট যোগান-ধৰা হৈছে। সেই টেবলেটতে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ লগতে নিজৰো উপস্থিতি নিশ্চিত কৰিব লাগে। কিন্তু একাংশ শিক্ষকে উত্থাপন কৰি অহা অভিযোগ মতে, প্ৰধান শিক্ষকে সহকাৰী শিক্ষককক ব্যক্তিগত ম'বাইলেৰে নিজৰ আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি ল'বলৈ হেঁচা প্ৰয়োগ কৰিছে। কাৰণ সেই বিদ্যালয়সমূহৰ টেবলেটসমূহ অকামিলা হৈছে বা প্ৰধানসকলে টেবলেটসমূহ ৰিচাৰ্জ কৰিবলৈ অসমৰ্থ। সমগ্ৰ শিক্ষাই অনলাইন উপস্থিতি নাপালে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে দৈনিক আহাৰৰ ধন যোগান নধৰাৰ বাবেই প্ৰধান শিক্ষকে সহকাৰী শিক্ষকসকলক ব্যক্তিগত ম'বাইলেৰে হ'লেও উপস্থিতি দিবলৈ হেঁচা প্ৰয়োগ কৰে। প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত এনেধৰণৰ পৰিৱেশ অব্যাহত থকাৰ সময়তে মাধ্যমিক পৰ্যায়তো শিক্ষক তথা অ-শৈক্ষিক কৰ্মচাৰীৰ অহা-যোৱাৰ সময়সীমা নিৰ্ধাৰণ কৰি দিয়াত 'শিক্ষা সেতু'ত সঠিক তথ্য উপলব্ধ কৰোৱাৰ বাবে দিয়া নিৰ্দেশনা লক্ষণীয়ৰূপে বিবেচিত হৈছে।

## ত্ৰিকোণ প্ৰেমৰ বাবে

হে আহত যুৱতীগৰাকীক উদ্ধাৰ কৰি জিএমচিএইচত ভৰ্তি কৰে। সম্প্ৰতি যুৱতীগৰাকী সংকটমুক্ত। যুৱতীগৰাকীৰ নাম কল্পনা সিংহ বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে ভুক্তভোগী কল্পনা সিংহ, ৰাজু বৰ্মন আৰু নিকি বড়োৰ সৈতে গণেশগুৰিৰ হলছেল মাৰ্কেটত কোনো কথাক লৈ কাজিয়াত লিপ্ত হৈছিল। ৰাজু বৰ্মনৰ প্ৰেয়সী নিকি বড়োৱে যুৱতীগৰাকীক প্ৰথমে মাৰপিট কৰিছিল। ইয়াৰ পিছত ভুক্তভোগী কল্পনাক ৰাজু বৰ্মনে ছুৰীৰে আঘাত কৰি পদপথত পেলাই উক্ত স্থানৰ পৰা আঁতৰি যায়। ভুক্তভোগী যুৱতীগৰাকীৰ এজাহাৰৰ ভিত্তিত দিছপুৰ আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি অভিযুক্ত ৰাজু বৰ্মনক তিনি ঘণ্টাৰ ভিতৰতে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। পেছাত ৰেপিডো চালক ৰাজুৰ দুই যুৱতীৰে থকা প্ৰেমৰ সম্পৰ্কৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলি। ভুক্তভোগী যুৱতীগৰাকীয়ে দাবী কৰিছে। সম্প্ৰতি দিছপুৰ আৰক্ষীয়ে অভিযুক্ত ৰাজুক জেৰা অব্যাহত ৰাখিছে।

## গুৱাহাটী উচ্চ ন্যায়ালয়ে চাকৰি

প্ৰতিষ্ঠিত নহয়। উচ্চ ন্যায়ালয়ৰ ৰায়টো তিনি ঘণ্টা ধৰি বিশ্লেষণ কৰাৰ কথা উল্লেখ কৰি তেওঁ পুনৰ কয় যে প্ৰকাশিত বাতৰি আৰু ৰায়টোৰ মাজত এটা ডাঙৰ পাৰ্থক্য আছে। উচ্চন্যায়ালয়ৰ ৰায়ৰ বিপৰীতে ৰাজ্য চৰকাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব নেকি বুলি সাংবাদিকে সোধা প্ৰশ্নৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কৈছিল- অসম আৰক্ষী সেৱা (এপিএছ) ৰ বিষয়াসকলৰ ক্ষেত্ৰত হয়তো উচ্চতম ন্যায়ালয়লৈ যাবলগীয়া হ'ব পাৰে। বাকীসকলৰ ক্ষেত্ৰত একো নাই। আমি কেৱল বৰ্খাস্তকৰণৰ নিৰ্দেশটো পৰিৱৰ্তন কৰি দিলেই হ'ল। এপিএছসকলক আমি প্ৰবেচনত থকা বুলি ধৰি লৈছিলোঁ, যিটো উচ্চ ন্যায়ালয়ে মানি লোৱা নাই। সেইকাৰণে এপিএছসকলৰ ক্ষেত্ৰত উচ্চন্যায়ালয়ৰ নিৰ্দেশ ইমানেই যে তেওঁলোকক চাকৰিত লওক কিন্তু দৰমহা নিদিব। পৰৱৰ্তী তিনি মাহৰ ভিতৰত ডিপাৰ্টমেণ্টেল প্ৰচিডিং কৰি ৰাজ্য চৰকাৰে যি সিদ্ধান্ত লয় ল'ব পাৰে। অৰ্থাৎ ৰায়টোত তেওঁলোককো একেবাৰে চাকৰি ঘূৰাই দিয়াৰ কথা কোৱা নাই। ইয়াৰ বিপৰীতে এচিএছ-কৰ বিষয়া-পৰিবহণ বিষয়া আদিৰ ক্ষেত্ৰত কৈছে- বৰ্খাস্তকৰণৰ আবেদনখন কেৱল বদলাই দিয়ক। কামত সন্তুষ্ট নহয় কাৰণে চাকৰিৰ পৰা বিদায় দিয়াৰ কথা নতুন নিৰ্দেশত উল্লেখ কৰিলেই হ'ল।

## প্ৰাপ্তবয়স্কক আধাৰ কাৰ্ড কেৱল

কৰা হ'ব বুলি জানিবলৈ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ কয় যে জিলা আযুক্তৰ বাদে আন কোনেও প্ৰাপ্তবয়স্ক লোকক আধাৰ কাৰ্ড দিব নোৱাৰিব। ইয়াৰ ফলত বাংলাদেশৰ পৰা নতুনকৈ অহা মানুহে আধাৰ কাৰ্ড ল'ব নোৱাৰিব। অৱশ্যে আধাৰ কাৰ্ড লাভৰ ৰাস্তাটো একেবাৰে বন্ধ কৰিব বিচৰা নাই বুলিও তেওঁ মন্তব্য কৰে। তেওঁ জানিবলৈ দিয়া মতে, কোনোবা যদি প্ৰকৃত লোক আছে, বিশেষকৈ চাহ জনগোষ্ঠীৰ তেওঁলোকক জিলা আযুক্তই আধাৰ কাৰ্ড দিব পাৰিব। এইক্ষেত্ৰত পৰৱৰ্তী কেবিনেটত আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰাৰ ইংগিত দিয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাই। ইফালে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ কাৰণে জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰয়োজন হ'ব বুলিও মন্তব্য কৰি তেওঁ কয়-আমি জন্মৰ প্ৰমাণপত্ৰ দিয়াৰ ব্যৱস্থাটোত কিছু কঠোৰ হ'ব বিচাৰিছোঁ। বহুদিন পূৰ্বে জন্ম হোৱা লোকেও প্ৰমাণপত্ৰৰ বাবে আবেদন কৰে। অৱশ্যে অবৈধভাৱে নহয়, বৈধভাৱেই। তেনে লোকসকলেও জন্মৰ প্ৰমাণপত্ৰৰ বাবে জিলা আযুক্তৰ ওচৰলৈ যাব লাগিব।

# ENGLISH NEWS SECTION

## Assam Governor offers puja to Goddess Kamakhya after temple reopens



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya along with the First Lady of Assam Smt.Kumud Devi today paid a visit to Kamakhya Temple on 'nivritti' and paid obeisance to Goddess Kamakhya and sought her blessings for the development of all sections of the people of Assam. Visiting the Shakti Shrine at the decent of 'Nivritti' which marks the culmination of the of the five day Ambubachi Mela, one of the greatest spiritual gatherings of the country, Shri Acharya this morning offered his puja at the Shakti Peeth for the welfare of the people of Assam. He also thanked lakhs of devotees from the country and abroad who had flocked at the famous Shakti Shrine for making the Ambubachi Mela a grand success. Governor Shri Acharya also hailed the efforts of the Temple Management Committee, civil and police administration, volunteers of different agencies for putting up their best efforts in in making this year's Ambubachi a grand success. He also hailed them for their efforts in maintaining the highest order of harmony, tranquility and peaceful coexistence where pilgrims from different regions of the country and abroad have converged to meditate and realize the essence of Ambubachi festival.

## R Praggnanandhaa becomes India's number one chess player



RB News: R Praggnanandhaa reached a historic milestone on Friday, June 27 when he became the No.1 ranked Indian chess player in the live rankings. The 19-year-old achieved the feat by beating Uzbekistan's Nodirbek Abdusattorov with Black pieces in the final round of the UzChess Cup Masters. With the win, Praggnanandhaa's live rating has jumped to 2778.3. This has made the Indian grandmaster No.4 on the rankings, the highest he has achieved in his career so far. The 19-year-old jumped three places to be in the No.4 spot at the moment ahead of his compatriot and World Champion D Gukesh, who has 2776.6 rating points.

## UP Warriorz part ways with head coach Jon Lewis ahead of WPL 2026



RB News: The Women's Premier League (WPL) team UP Warriorz (UPW) have decided to part ways with their head coach Jon Lewis ahead of the upcoming 2026 season. The social media account of the team posted on their handles that Lewis will not remain their head coach as they have mutually decided to not continue together ahead of their new campaign.

## India defeat Pakistan to win gold in men's event at Asian Doubles Squash Championships

RB News: The Indian duo of Abhay Singh and Velavan Senthilkumar defeated Pakistan's Noor Zaman and Nasir Iqbal in the final to win gold in the men's event at the Asian Doubles Squash Championships. They won the final with the scoreline of 9-11, 11-5, 11-5 in 88 minutes. India also won gold medal in the women's and mixed events at the championships.

## Actress Shefali Jariwala passes away at 42



RB News: Actress and model Shefali Jariwala, best known for her appearance in 'Kaanta Laga' music video, has passed away at the age of 42. According to journalist Vickey Lalwani, she was rushed to Bellevue Multispeciality Hospital by her husband Parag Tyagi and three others on Friday night, but was declared dead on arrival. The cause of her death isn't yet known.

## Harshit Rana released from Team India squad



RB News: Fast bowler Harshit Rana has been released from Team India's Test squad which is featuring in the ongoing five-match Test series. Rana was included in the squad days before the first Test against England but he didn't feature in the playing XI. The second India-England Test will begin on July 2.

## CSK's star Dewald Brevis set for Test debut



RB News: Dewald Brevis has been rewarded for a stellar 2025, with the 22-year-old named in South Africa's playing XI for the first Test against Zimbabwe, starting June 28 (Saturday). The CSK middle-order batter's impact in red-ball cricket was evident, with 573 runs in CSA 4-Day Series Division 1 2024/25, averaging 47.75.

## Liverpool confirm signing of Milos Kerkez for £40 million



RB News: Liverpool have confirmed the signing of Hungarian international Milos Kerkez from Bournemouth for a £40 million transfer fee, securing his services with a five-year contract. The 21-year-old, who predominantly plays as a left-back, is already the third major signing for Liverpool in the ongoing summer transfer window after bringing in Jeremie Frimpong and Florian Wirtz from Bayer Leverkusen.

# মহিলা বা নাৰী সৱলীকৰণ

সামগ্ৰিক বিকাশত সহায় কৰা এটা কাৰক । শিক্ষাই মহিলাৰ জীৱনত পৰিৱৰ্তন আনিব পাৰে।

মহিলা সকল হ'ল পৰিয়ালৰ প্ৰধান গুৰি ধৰোতা পৰিয়ালৰ লগতে আলহী-অতিথিকো সেৱা শুশ্ৰূষাৰ দায়িত্ব বহন কৰিব লাগে আৰু শিশুৰ বাবেও সেই মাতৃ গৰাকীয়ে হ'ল আটাইতকৈ ভাল শিক্ষয়ত্ৰী। অট্টালিকা এটা খহি নপৰিবলৈ প্ৰথমে আমি ভেটিটোঁ মজবুতকৈ বনাব লাগিব। গতিকে মহিলা সকলে নিজকে মজবুত কৰি ধৈৰ্য্য আৰু ইচ্ছা শক্তিৰে উন্নতিৰ পথেৰে জীৱন আগুৱাই নিব লাগিব আৰু মনৰ পৰা নেতিবাচক চিন্তাবোৰ সমুলঙ্গে বিসৰ্জন দিব লাগিব।

" জীৱনটো আমাৰ নিজৰ, নিজে যিটো সত্য বুলি ভাবা সত্যটো শান্ত ভাৱে আৰু স্পষ্ট ভাৱে কৰা।" নিজৰ জ্ঞান আৰু বিবেকক কেতিয়াও আনৰ দ্বাৰা পৰিচালিত হ'বলৈ দিব নালাগে।

আমি আমাৰ জীৱনৰ ৰিম'ট কণ্ট্ৰল নিজে হয়। টিভি চেনেলৰ চেনেলবোৰ সলনি কৰাৰ দৰে আমি আমাৰ জীৱন নিজে সলনি কৰিব পাৰো। গতিকে আমি এটা উদ্দেশ্য লৈ জীৱনটো গঢ়ি তুলিব পাৰো। নিজে কষ্ট কৰিলেহে আৰু ধৈৰ্য্যৰ পাতনিৰেহে জীৱন জয় কৰিব পাৰি। জীৱন যুদ্ধত জয় হ'বলৈ আমি নিজকে অস্ত্ৰ হিচাপে লৈ আগুৱাই গ'লে নিশ্চিত ভাৱে জয়লাভ কৰিব পাৰিম।

" জীৱনৰ সমষ্ট কলাৰেই শ্ৰেষ্ঠ কলা হৈছে ভালদৰে জীয়াই থাকিব পৰাটো।" জীৱনটো এনেদৰে কৰি তুলিব লাগে যাতে বৃদ্ধ বয়সত সেইবোৰ মনত পেলাই শান্তি পাও আৰু নিজৰ ওপৰত গৌৰৱান্বিত অনুভৱ কৰিব পাৰোঁ।

আজি কালি শিক্ষা দীক্ষা বাঢ়িছে যদিও, জ্ঞান আৰু নৈতিকতা প্ৰায় নোহোৱা হৈছে। এগৰাকী শিক্ষিত সৱলীকৰণ সম্পৰ্কে সচেতন মাতৃয়ে নিজৰ শিশুক ভৱিষ্যতে দেশৰ মানৱ, সম্পদ গঢ়াত সফলতা কঢ়িয়াই ঘৰখনৰ লগতে ওচৰ চুবুৰীয়াৰো গৌৰৱ সক্ষম হয়। বৰ্তমানৰ পেহেলগামৰ ইতিহাস স্ৰষ্টা " অপাৰেশ্যন সেন্দূৰ" অভিযানৰ নেতৃত্ব বহন কৰা ছোফিয়া কুৰেশ্বি আৰু ভৌমিকা সিং দুয়োগৰাকী ভাৰতীয় মহিলাই নতুন দিগন্তৰ সূচনা কৰিলে। ভৱিষ্যতে এনেকৈয়ে সমাজত নাৰীৰ সন্মান প্ৰদান কৰা ক্ষেত্ৰত সহায় কৰিবলৈ সদায়ে নাৰীক শিক্ষিত সৱলীকৰণ সম্পৰ্কে সচেতন কৰাৰ সময় পৰিস্থিতি সাপেক্ষে খোজত খোজ মিলাই আগবাঢ়িব লাগিব।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286